## ভিতৰৰ পৃষ্ঠাত


| | |
|---|---|
| শিশুৰ চৰিত্ৰ গঠনত... | পৃষ্ঠা ৪ |
| সেউজ ইন্ধন-সমৃদ্ধ কৃষক... | পৃষ্ঠা ৫ |
| তেজপুৰৰ লিচু আৰু... | পৃষ্ঠা ৭ |
| চাইবাৰ অপৰাধ প্ৰযুক্তিৰ... | পৃষ্ঠা ৮ |



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 45 ■ Guwahati ■ Wednesday ■ 1 July, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪৪ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৬ আহাৰ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা




প্ৰলয়ংকৰী বানৰ মাজতে ধেমাজি জিলাৰ জোনাইৰ কেমি জেলেম গাঁও পঞ্চায়তত বানপীড়িতৰ অৱস্থাৰ বুজ লৈছে জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে

### কামৰূপত ঔষধ পৰিদৰ্শকৰ অভিযানত জব্দ লাখ লাখ টকাৰ ভেজাল দৰৱ

## ৰাজ্যত ভেজাল ঔষধৰ ৰমৰমীয়া বেহা

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** জীৱনদায়িনী ভেজাল ঔষধৰ ৰমৰমীয়া বেহা চলিছে ৰাজ্যৰ বিভিন্ন অঞ্চলত। এফালে, ঔষধৰ দাম বৃদ্ধিৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ চিকিৎসা ব্যৱস্থা অতি ব্যয়বহুল তথা বহুতৰে বাবে সহজসাধ্য নোহোৱাৰ সময়তে ৰাজ্যত ঠায়ে ঠায়ে গা কৰি উঠা ভেজাল ঔষধৰ ৰমৰমীয়া বেহাই স্বাভাৱিকতেই ভুক্তভোগীক হতচকিত কৰি তুলিছে। মাজে সময়ে ড্ৰাগছ পৰিদৰ্শকৰ নেতৃত্বত এনে অসাধু ■ ১১ পৃষ্ঠাত

## ডিজিটেল যুগত সামাজিক মাধ্যমৰ শক্তি সুফল-প্ৰত্যাহ্বান

■ ড° সীমান্ত বৰুৱা

বৰ্তমান যুগ তথ্য-প্ৰযুক্তিৰ যুগ। ইণ্টাৰনেট আৰু স্মাৰ্টফোনৰ সহজলভ্যতাই বিশ্বখনক এখন সৰু গাঁৱৰ দৰে কৰি তুলিছে। এই পৰিৱৰ্তনৰ অন্যতম শক্তিশালী মাধ্যম হৈছে ছ'চিয়েল মিডিয়া। আজিৰ দিনত ফেচবুক, ইনষ্টাগ্ৰাম, এক্স বা পূৰ্বৰ টুইটাৰ, ইউটিউব, হোৱাটছএপ, টেলিগ্ৰাম আদি ছ'চিয়েল মিডিয়া প্লেটফ'ৰ্মসমূহে মানুহৰ দৈনন্দিন জীৱনত বিশেষ স্থান অধিকাৰ কৰিছে। যোগাযোগ, শিক্ষা, ব্যৱসায়, মনোৰঞ্জন আৰু তথ্য আদান-প্ৰদানৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

বৰ্তমানৰ তথ্য-প্ৰযুক্তিৰ যুগত সামাজিক মাধ্যম মানুহৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। পৃথিৱীৰ যি কোনো এটা অঞ্চলৰ পৰা আন ■ দুই পৃষ্ঠাত

## ৰাজ্যৰ স্বাস্থ্য আন্তঃগাঁথনি শক্তিশালীকৰণত গুৰুত্ব মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসমৰ স্বাস্থ্যসেৱাক অধিক শক্তিশালী, আধুনিক আৰু ভৱিষ্যতমুখী কৰি তোলাৰ লক্ষ্যৰে মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই যোৱা দেওবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় তথা প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়



পৰিদৰ্শন কৰি স্বাস্থ্য আন্তঃগাঁথনি উন্নয়নৰ অগ্ৰগতিৰ বুজ লয়। মুখ্য মন্ত্ৰী ড° শৰ্মাই প্ৰথমে গুৱাহাটী চিকিৎসা ■ ১১ পৃষ্ঠাত

## বাক্সাত দুবছৰে সম্পূৰ্ণ নহ'ল ৫০ কোটিটকীয়া ক্ৰীড়া প্ৰকল্প

**অসম ভূমি সেৱা, বৰিমাখা ঃ** দুটা বছৰ অতিক্ৰম কৰাৰ পিছতো বাক্সা জিলাৰ সদৰ মুছলপুৰৰ বাথৌপুৰীত অৱস্থিত জিলা ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ নুঠিল। ঠিকাদাৰৰ মইমতালিত অতিষ্ঠ হৈ পৰিছে জিলাখনৰ খেলুৱৈ তথা ক্ৰীড়ানুৰাগী ৰাইজ। উল্লেখ্য যে বিগত ২০২৩ চনৰ ৫ অক্টোবৰত ৰাজ্য চৰকাৰৰ মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই সেই সময়ৰ মন্ত্ৰী তথা ছাপাগুৰি ■ দুই পৃষ্ঠাত

### স্বাৱলম্বী ভাৰত গঢ়াৰ দিশে ঐতিহাসিক যাত্ৰা

## ডিজিটেল ইণ্ডিয়াৰ ১১ বছৰ সম্পূৰ্ণ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত ডিজিটেল ইণ্ডিয়া হৈছে শাসন ব্যৱস্থাৰ ক্ষেত্ৰত হাতত লোৱা আটাইতকৈ গভীৰ, সুদূৰপ্ৰসাৰী আৰু ৰূপান্তৰমুখী সংস্কাৰসমূহৰ অন্যতম। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত আৰম্ভ হোৱা এই কাৰ্যসূচীয়ে কেৱল চৰকাৰী সেৱাক ডিজিটেল ৰূপ দিয়াৰ সীমাতে সীমাবদ্ধ নাথাকি শাসন সংস্কাৰ, প্ৰতিষ্ঠানগত আধুনিকীকৰণ, অৰ্থনৈতিক পুনৰ্গঠন, নাগৰিক সবলীকৰণ আৰু প্ৰযুক্তিনিৰ্ভৰ উন্নয়নৰ এক বিস্তৃত ৰাষ্ট্ৰীয় দৰ্শনত পৰিণত হৈছে। স্বচ্ছতা, কাৰ্যদক্ষতা, জবাবদিহিতা আৰু অন্তৰ্ভুক্তিমূলক শাসনৰ নীতি ডিজিটেল পৰিকাঠামোৰ সৈতে যুক্ত কৰি ই ৰাষ্ট্ৰ আৰু নাগৰিকৰ মাজৰ সম্পৰ্কক এক নতুন উচ্চতালৈ উন্নীত কৰাৰ লগতে ■ ১১ পৃষ্ঠাত



হাড়গিলা সংৰক্ষণৰ বাবে কাম কৰি অহা পূৰ্ণিমা দেৱী বৰ্মনক দিছপুৰত আদৰণি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ

### অহা বছৰ বিতৰণৰ বাবে ২ লাখ পুলি প্ৰস্তুত কৰাৰ আহ্বান মন্ত্ৰী পীয়ূষ হাজৰিকাৰ

## তেজপুৰৰ লিচু বাগান পৰিদৰ্শন-কৃষককেৰে মত বিনিময় কৃষিমন্ত্ৰীৰ



**অসম ভূমি সেৱা, তেজপুৰ ঃ** বিশ্বজুৰি জনপ্ৰিয়তা অৰ্জন কৰা বিখ্যাত তেজপুৰ লিচুৰ উৎপাদনৰ বিভিন্ন দিশৰ বুজ লোৱাৰ উদ্দেশ্যে কৃষিমন্ত্ৰী পীয়ূষ হাজৰিকাই যোৱা সোমবাৰে তেজপুৰৰ পৰমাইঘুলিস্থিত লিচু বাগান পৰিদৰ্শন কৰে আৰু স্থানীয় লিচু খেতিয়কসকলৰ সৈতে এক মত বিনিময় কাৰ্যসূচীত মিলিত হয়। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে খেতিয়ক তথা কৃষক উৎপাদক কোম্পানীসমূহৰ (এফপিচি) বিভিন্ন সমস্যাৰ বুজ লয়। তেওঁ উল্লেখ কৰে যে লিচুৰ উৎপাদন আৰু ৰপ্তানি বৃদ্ধি কৰাৰ লক্ষ্যৰে কৃষি বিভাগে অতি শীঘ্ৰেই লিচু ৰপ্তানিকাৰক আৰু কৃষকসকলৰ এক বৈঠকৰ আয়োজন কৰিব। কৃষকসকলৰ সৈতে হোৱা বাৰ্তালাপত মন্ত্ৰীগৰাকীয়ে পোক-পৰুৱাৰ উপদ্ৰৱ, এফপিচিসমূহৰ বাবে ৰাজসাহায্যযুক্ত ট্ৰেক্টৰ আৰু পাৱাৰটিলাৰৰ প্ৰয়োজনীয়তা, সৌৰশক্তি চালিত লাইট আদি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ বুজ লয়। মন্ত্ৰী হাজৰিকাই ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কৃষকৰ মাজত বিতৰণ কৰিব পৰাকৈ তেজপুৰৰ লিচু খেতিয়কসকলক অতি কমেও ২ লাখ লিচুৰ পুলি প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। ■ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ডিজিটেল যুগত সামাজিক মাধ্যমৰ শক্তি

এটা অঞ্চললৈ মুহূৰ্ততে তথ্য আদান-প্ৰদান কৰা, মতামত প্ৰকাশ কৰা, শিক্ষা লাভ কৰা, ব্যৱসায়-বাণিজ্য প্ৰসাৰ কৰা, সামাজিক আন্দোলন গঢ়ি তোলা আদিৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা অতুলনীয়। এই অসাধাৰণ অৱদানক স্বীকৃতি জনোৱাৰ উদ্দেশ্যে ২০১০ চনৰ পৰা প্ৰতি বছৰে ৩০ জুনত বিশ্ব ছ'চিয়েল মিডিয়া দিৱস বা World Social Media Day পালন কৰা হয়। এই দিৱসে বিশ্ববাসীক সামাজিক মাধ্যমৰ ইতিবাচক ব্যৱহাৰৰ প্ৰতি উৎসাহিত কৰাৰ লগতে ইয়াৰ দায়িত্বশীল ব্যৱহাৰৰ গুৰুত্বও সোঁৱৰাই দিয়ে। ২০১০ চনত আন্তঃৰাষ্ট্ৰীয় সংবাদ আৰু প্ৰযুক্তি-ভিত্তিক সংস্থা 'মেছেবেলে' প্ৰথমবাৰৰ বাবে বিশ্ব ছ'চিয়েল মিডিয়া দিৱস উদ্‌যাপনৰ আহ্বান জনায়। সংস্থাটোৰ উদ্দেশ্য আছিল সামাজিক মাধ্যমৰ জৰিয়তে বিশ্বজুৰি মানুহৰ মাজত গঢ়ি উঠা সংযোগ, তথ্য বিনিময়, উদ্ভাৱন আৰু সামাজিক পৰিৱৰ্তনক স্বীকৃতি দিয়া। তাৰ পিছৰে পৰা ৩০ জুনত বিশ্বজুৰি বিভিন্ন দেশত ভিন ভিন কাৰ্যসূচীৰে এই দিৱস পালন কৰি অহা হৈছে।

সামাজিক মাধ্যম হৈছে ইণ্টাৰনেটভিত্তিক এনে এক যোগাযোগ ব্যৱস্থা, যাৰ জৰিয়তে মানুহে তথ্য, ছবি, ভিডিঅ', মনৰ ভাব আৰু অভিজ্ঞতা সহজে ইজনে-সিজনৰ মাজত আদান প্ৰদান কৰিব পাৰে। আজিৰ যুগত কোটি কোটি লোকে সামাজিক মাধ্যম ব্যৱহাৰ কৰি বিশ্বব্যাপী এক বৃহৎ যোগাযোগৰ নেটৱৰ্ক গঢ়ি তুলিছে। সেয়েহে সামাজিক মাধ্যমৰ বিশ্বব্যাপী গুৰুত্ব দিনক দিনে বৃদ্ধি পাইছে। যোগাযোগ ব্যৱস্থাত বৈপ্লৱিক পৰিৱৰ্তন হৈছে।

আগতে এখন চিঠি গন্তব্যস্থান পাবলৈ কেইবাদিন বা মাহ বছৰো লাগিছিল। এতিয়া সামাজিক মাধ্যমৰ জৰিয়তে পৃথিৱীৰ যিকোনো প্ৰান্তলৈ কেইছেকেণ্ড মানৰ ভিতৰতে বাৰ্তা, ছবি বা ভিডিঅ' প্ৰেৰণ কৰিব পাৰি। ইয়াৰ ফলত বিশ্বখন অধিক সংযুক্ত হৈ পৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে বাতৰি, চৰকাৰী ঘোষণা, স্বাস্থ্যবিষয়ক সজাগতা, প্ৰাকৃতিক দুৰ্যোগৰ তথ্য আদিৰ দ্ৰুত প্ৰচাৰ সম্ভৱ হৈছে। জৰুৰী অৱস্থাত এই মাধ্যম অতি ফলপ্ৰসু বুলি ক'ব পাৰি। শিক্ষা আৰু জ্ঞান প্ৰসাৰৰ ক্ষেত্ৰত আজিৰ যুগত ছাত্ৰ-ছাত্ৰীসকলে অনলাইন ক্লাছ, শিক্ষামূলক ভিডিঅ', আলোচনা, ডিজিটেল পাঠ্যসামগ্ৰী আদি সামাজিক মাধ্যমৰ জৰিয়তে সহজে লাভ কৰিব পাৰে। যাৰ দ্বাৰা শিক্ষা অধিক সহজলভ্য আৰু গতিশীল হৈ উঠিছে। ব্যৱসায় আৰু অৰ্থনীতি বিকাশৰ ক্ষেত্ৰত সৰু উদ্যোগৰ পৰা আৰম্ভ কৰি বৃহৎ প্ৰতিষ্ঠানলৈকে সকলোৱে সামাজিক মাধ্যম ব্যৱহাৰ কৰি নিজৰ পণ্য আৰু সেৱাৰ প্ৰচাৰ কৰি লাভান্বিত হৈছে। ডিজিটেল বিপণন, অনলাইন বিক্ৰী আৰু গ্ৰাহকৰ সৈতে সম্পৰ্ক গঢ়ি তোলাত ইয়াৰ বিশেষ ভূমিকা আছে। সামাজিক সচেতনতা বৃদ্ধি কৰি পৰিৱেশ সংৰক্ষণ, ৰক্তদান, শিক্ষা, স্বাস্থ্য, নাৰী সুৰক্ষা, শিশু অধিকাৰ, মাদক দ্ৰব্য বিৰোধী অভিযান আদি বিভিন্ন বিষয়ত সামাজিক মাধ্যমৰ জৰিয়তে জনসচেতনতা বৃদ্ধি পাইছে। বহু সামাজিক আন্দোলন এই মাধ্যমৰ পৰাই শক্তিশালী ৰূপ লাভ কৰিছে। সাহিত্য, সংগীত, চিত্ৰকলা, ফটোগ্ৰাফী, অভিনয়, নৃত্য আদি বিভিন্ন ক্ষেত্ৰৰ প্ৰতিভাসমূহে সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ দক্ষতা বিশ্ববাসীৰ আগত উপস্থাপন কৰাৰ সুযোগ লাভ কৰিছে। সামাজিক মাধ্যমৰ মূল শক্তি হৈছে যোগাযোগ। ই মানুহক ভাষা, দেশ আৰু সংস্কৃতিৰ সীমা অতিক্ৰম কৰি একত্ৰিত কৰিছে।

পৰিয়াল আৰু বন্ধু-বান্ধৱৰ সৈতে সহজ যোগাযোগ কৰিব পৰা হৈছে। অনলাইন সভা, আলোচনা আৰু মত বিনিময় জড়িয়তে চৰকাৰ আৰু নাগৰিকৰ মাজত দ্ৰুত যোগাযোগ হৈছে। বিভিন্ন অনুষ্ঠানৰ সজীৱ সম্প্ৰচাৰ, সংবাদ মাধ্যমৰ তাৎক্ষণিক আপডেট, শিক্ষা আৰু গৱেষণাত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আদিৰ দ্বাৰা সমাজৰ ওপৰত ইতিবাচক প্ৰভাৱ পৰিছে। সামাজিক মাধ্যমৰ সহায়ত বহু দৰিদ্ৰ, শিল্পী, উদ্যোগী আৰু শিক্ষাৰ্থীয়ে নতুন সুযোগ লাভ কৰিছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত উদ্ধাৰ অভিযান, সাহায্য সংগ্ৰহ আৰু নিখোজ লোক বিচাৰি উলিওৱাতো সামাজিক মাধ্যমৰ গুৰুত্বপূৰ্ণ ভূমিকা দেখা যায়। বিশেষকৈ মহামাৰীৰ সময়ত অনলাইন শিক্ষা, স্বাস্থ্য পৰামৰ্শ আৰু জনসচেতনতা বৃদ্ধিত সামাজিক মাধ্যম অতি সহায়ক হৈছিল।

আনহাতে, নিয়ন্ত্ৰণহীন সামাজিক মাধ্যমৰ ব্যৱহাৰ আৰু অপব্যৱহাৰে ব্যক্তি, পৰিয়াল আৰু সমাজৰ ওপৰত নেতিবাচক প্ৰভাৱো পেলাইছে। ছ'চিয়েল মিডিয়াৰ আটাইতকৈ ডাঙৰ অপকাৰিতাসমূহৰ ভিতৰত অন্যতম হৈছে সময়ৰ অপচয়। বহুতে কেৱল কেইমিনিটমান ব্যৱহাৰ কৰাৰ উদ্দেশ্যে ম'বাইল হাতত লয় যদিও অজানিতে ঘণ্টাৰ পিছত ঘণ্টা স্ক্ৰ'ল কৰি থাকে। ফলত মূল্যৱান সময় নষ্ট হয় আৰু পঢ়া-শুনা, কৰ্মজীৱন বা সৃজনশীল কামৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে। ছ'চিয়েল মিডিয়াৰ অত্যাধিক ব্যৱহাৰে মানসিক চাপ, উদ্বেগ, হতাশা আৰু নিঃসংগতাৰ অনুভূতি বৃদ্ধি কৰিব পাৰে। আনৰ বিলাসী জীৱন, সফলতা বা সুখৰ মুহূৰ্তৰ সৈতে নিজকে তুলনা কৰি বহুতে নিজকে হীনমন্যতাত ভোগে। বিশেষকৈ কিশোৰ-কিশোৰীসকলৰ মাজত আত্মবিশ্বাস হ্ৰাস পোৱা আৰু মানসিক অস্থিৰতা বৃদ্ধি পোৱাটো চিন্তাৰ বিষয়। ছ'চিয়েল মিডিয়াৰ জৰিয়তে মুহূৰ্ততে ভুৱা খবৰ, অপপ্ৰচাৰ, গুজব আৰু বিভ্ৰান্তিকৰ তথ্য বিয়পি পৰে। বহুতে তথ্যৰ সত্যতা পৰীক্ষা নকৰাকৈ সেইবোৰ শ্বেয়াৰ কৰে। ইয়াৰ ফলত সমাজত বিভ্ৰান্তি, উত্তেজনা, সংঘাত আৰু কেতিয়াবা আইন-শৃংখলাজনিত সমস্যাও সৃষ্টি হয়। ছ'চিয়েল মিডিয়াত অত্যাধিক ব্যক্তিগত তথ্য, ছবি বা ভিডিঅ' শ্বেয়াৰ কৰিলে সেইবোৰৰ অপব্যৱহাৰৰ আশংকা থাকে। হেকিং, পৰিচয় চুৰি, ভুৱা একাউণ্ট সৃষ্টি, ব্লেকমেইল বা অনলাইন প্ৰতাৰণাৰ দৰে অপৰাধ দিনক দিনে বৃদ্ধি পাইছে ছাত্ৰ-ছাত্ৰীসকলে যদি অধিক সময় ছ'চিয়েল মিডিয়াত কটায়, তেন্তে পঢ়া-শুনাৰ প্ৰতি মনোযোগ হ্ৰাস পায়। অনলাইন গেম, চুটি ভিডিঅ', বিনোদনমূলক বিষয়বস্তু আৰু অহৰহ অহা নটিফিকেচনে অধ্যয়নৰ ধাৰাবাহিকতা ভংগ কৰে। ফলস্বৰূপে পৰীক্ষাৰ ফলাফল আৰু শৈক্ষিক দক্ষতাত ক্ষতিগ্ৰস্ত হয়। বৰ্তমান ছ'চিয়েল মিডিয়া বহু লোকৰ বাবে এক ধৰণৰ নিচাত পৰিণত হৈছে। দিনটোৰ বহু সময় ইয়াত কটোৱাৰ ফলত বাস্তৱ জীৱনৰ দায়িত্ব, পাৰিবাৰিক সম্পৰ্ক আৰু সামাজিক মূল্যবোধৰ প্ৰতি অৱহেলা কৰা দেখা যায়। এই আসক্তিয়ে স্বাস্থ্য আৰু জীৱনশৈলীত বিৰূপ প্ৰভাৱ পেলায়। বৰ্তমান চাইবাৰ বুলিং, অনলাইন প্ৰতাৰণা, হেকিং, ভুৱা লিংক, ফিছিং, ব্লেকমেইল আদি অপৰাধ ছ'চিয়েল মিডিয়াৰ জৰিয়তে দ্ৰুতগতিত বৃদ্ধি পাইছে। বিশেষকৈ কিশোৰ কিশোৰী আৰু মহিলাসকল এনে অপৰাধৰ সহজ লক্ষ্য হৈ পৰে। ছ'চিয়েল মিডিয়াই মানুহক অনলাইনত সংযুক্ত কৰিলেও বাস্তৱ জীৱনৰ সম্পৰ্ক বহু ক্ষেত্ৰত দুৰ্বল কৰি তুলিছে। একেটা ঘৰতে থকা সদস্যসকলেও ইজনে-সিজনৰ সৈতে কথা পাতাৰ পৰিৱৰ্তে মোবাইলত ব্যস্ত থাকে। ফলত পাৰিবাৰিক সম্প্ৰীতি আৰু আন্তৰিকতা হ্ৰাস পায়। দীৰ্ঘ সময় ধৰি ম'বাইল বা কম্পিউটাৰৰ সন্মুখত বহি থকাৰ ফলত চকুৰ সমস্যা, মূৰৰ বিষ, টোপনিৰ ব্যাঘাত, ডিঙি আৰু পিঠিৰ বিষ, স্থূলতা আদি শাৰীৰিক সমস্যাৰ সৃষ্টি হয়। নিয়মীয়া ব্যায়াম আৰু বাহিৰৰ খেল-ধেমালিৰ প্ৰতি আগ্ৰহো কমি যায়। ছ'চিয়েল মিডিয়াত বহু সময়ত অশ্লীল, হিংসাত্মক বা বিভ্ৰান্তিকৰ বিষয়বস্তু সহজে উপলব্ধ হয়। এইবোৰে কিশোৰ-কিশোৰীৰ চিন্তাধাৰা, আচৰণ আৰু নৈতিক মূল্যবোধৰ ওপৰত বেয়া প্ৰভাৱ পেলাব পাৰে। কেতিয়াবা ঘৃণামূলক ভাষণ আৰু অসহিষ্ণুতাও ইয়াৰ জৰিয়তে বিয়পি পৰে।

ছ'চিয়েল মিডিয়াৰ অপকাৰিতা কমাবলৈ কিছুমান পদক্ষেপ আমি গ্ৰহণ কৰিব লাগিব। প্ৰতিদিনে সীমিত সময়ৰ বাবে ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰা। ভুৱা খবৰ বিশ্বাস বা শ্বেয়াৰ কৰাৰ আগতে সত্যতা পৰীক্ষা কৰিব লাগে। ব্যক্তিগত তথ্য অযথা প্ৰকাশ নকৰা। শিশুসকলৰ অনলাইন কাৰ্যকলাপত অভিভাৱকৰ তদাৰকী নিশ্চিত কৰা। পঢ়া-শুনা, খেল-ধেমালি, ব্যায়াম আৰু সৃজনশীল কামত অধিক সময় ব্যয় কৰা। চাইবাৰ সুৰক্ষা আৰু ডিজিটেল সাক্ষৰতাৰ বিষয়ে জনসচেতনতা বৃদ্ধি কৰি অনলাইন আৰু বাস্তৱ জীৱনৰ মাজত এক সুস্থ ভাৰসাম্য বজাই ৰাখিব লাগিব। ছ'চিয়েল মিডিয়া আধুনিক জীৱনৰ এক শক্তিশালী আৰু প্ৰয়োজনীয় মাধ্যম। কিন্তু যিকোনো শক্তিশালী প্ৰযুক্তিৰ দৰে ইয়াৰো ভাল আৰু বেয়া দুয়োটা দিশ আছে। ইয়াৰ অপকাৰিতাসমূহ উপেক্ষা কৰিলে ব্যক্তি, পৰিয়াল আৰু সমাজৰ ওপৰত সুদূৰপ্ৰসাৰী নেতিবাচক প্ৰভাৱ পৰিব পাৰে। সেয়েহে ছ'চিয়েল মিডিয়াক জীৱনৰ নিয়ন্ত্ৰক নহয়, বৰঞ্চ এক সহায়ক মাধ্যম হিচাপে ব্যৱহাৰ কৰাটোৱেই হ'ল বুদ্ধিমানৰ পৰিচয়। সচেতনতা, আত্মনিয়ন্ত্ৰণ আৰু দায়িত্বশীল ব্যৱহাৰৰ জৰিয়তেই আমি ছ'চিয়েল মিডিয়াৰ অপকাৰিতা হ্ৰাস কৰি ইয়াৰ সুফলসমূহ সঠিকভাৱে লাভ কৰিব পাৰো।

সামাজিক মাধ্যমক উপযোগী আৰু নিৰাপদ কৰি ৰাখিবলৈ কিছুমান নীতি অনুসৰণ কৰা উচিত। তথ্য গ্ৰহণ কৰাৰ আগতে সত্যতা পৰীক্ষা কৰা উচিত। ভুৱা বাতৰি প্ৰচাৰ নকৰি ব্যক্তিগত তথ্য সুৰক্ষিত কৰিব লাগিব। অনলাইনত শালীন ভাষা ব্যৱহাৰ কৰা। সময়ৰ সঠিক ব্যৱস্থাপনা কৰা শিশু কিশোৰসকলৰ ক্ষেত্ৰত অভিভাৱকৰ তদাৰকি নিশ্চিত কৰি ডিজিটেল নৈতিকতা আৰু দায়িত্ব পালন কৰিব লাগিব।

বিশ্ব ছ'চিয়েল মিডিয়া দিৱস পালনৰ উদ্দেশ্য যিহেতু সামাজিক মাধ্যমৰ ইতিবাচক অৱদানক স্বীকৃতি জনাই দায়িত্বশীল আৰু নৈতিক ব্যৱহাৰৰ প্ৰতি উৎসাহিত কৰিব লাগিব। ডিজিটেল সাক্ষৰতা বৃদ্ধি কৰি বিশ্বব্যাপী যোগাযোগ আৰু সহযোগিতা শক্তিশালী কৰি ভুৱা তথ্য আৰু চাইবাৰ অপৰাধৰ বিৰুদ্ধে সচেতনতা সৃষ্টি কৰিব লাগিব।

ছ'চিয়েল মিডিয়া আধুনিক যোগাযোগ ব্যৱস্থাৰ এক শক্তি। প্ৰযুক্তিৰ অগ্ৰগতি আৰু বিশ্বব্যাপী সংযোগৰ এক প্ৰতীক। সামাজিক মাধ্যম সঠিকভাৱে ব্যৱহাৰ কৰিলে ই শিক্ষা, বিজ্ঞান, সংস্কৃতি, ব্যৱসায় আৰু সামাজিক উন্নয়নৰ এক শক্তিশালী মাধ্যম হ'ব পাৰে। কিন্তু ইয়াৰ অপব্যৱহাৰে সমাজত বিভ্ৰান্তি আৰু ক্ষতিৰ সৃষ্টি কৰিব পাৰে। সেয়েহে, সামাজিক মাধ্যম ব্যৱহাৰ কৰোঁতে সচেতনতা, দায়িত্ব আৰু নৈতিকতাৰে কৰিব লাগে বুলি অনুভৱ কৰো।

## বাক্সাত দুবছৰে সম্পূৰ্ণ নহ'ল

বিধানসভা সমষ্টিৰ বিধায়ক উৰ্খাও গৌৰা ব্ৰহ্মৰ উপস্থিতিত বাক্সা জিলা ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। এই ক্ৰীড়া প্ৰকল্পটো নিৰ্মাণৰ বাবে প্ৰায় ৫০ কোটি টকা আবণ্টন দিছিল আৰু ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হৈ কৰি তোলাৰ সময় আছিল দুবছৰ। বাক্সাত ক্ৰীড়াৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰকল্পটোক আধুনিক ৰূপ দিয়াৰ বাবে ৰাজ্য চৰকাৰে এই বৃহত পুঁজিৰ আবণ্টন দিছিল। সেইমতে ক্ৰীড়া প্ৰকল্পৰ ভিতৰত ছুইমিং পুল, প্ৰশিক্ষকৰ কলনি, খেলুৱৈ হোষ্টেলৰ লগতে খেলপথাৰত ছিনথেটিক ট্ৰেক নিৰ্মাণ কৰাৰ দায়িত্ব লাভ কৰিছিল বৰপেটাৰ মাকৰোকচম নামৰ এটি নিৰ্মাণ প্ৰতিষ্ঠানে। কিন্তু নিৰ্মাণৰ সময়সীমা উকলি যোৱাৰ পিছতো নিৰ্মাণ প্ৰতিষ্ঠানটোৱে আজিলৈকে ক্ৰীড়া প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। এতিয়াও ক্ৰীড়া প্ৰকল্পটোৰ প্ৰশিক্ষকৰ কলনি, খেলুৱৈ হোষ্টেল, ছুইমিং পুলৰ ৩০ শতাংশ কাম বাকী আছে। নিৰ্মাণ প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী ৰঞ্জু দাসক বিষয়টো অৱগত কৰি থকাৰ পিছতো নিজৰ মইমতালিৰে কাম কৰি আহিছে। ফলত ক্ৰীড়া প্ৰকল্পটোৰ অন্যান্য কামৰ লগতে মূল খেলপথাৰখনেই আজিলৈকে নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠিল। বিগত দুটা বছৰে জিলা প্ৰকল্পৰ নিৰ্মাণ চলি থকাত অঞ্চলটোৰ খেলুৱৈ সকলো প্ৰশিক্ষণ লাভৰ পৰা বঞ্চিত হৈ আছে। আনকি এই প্ৰকল্পৰ খেলপথাৰতে বিভিন্ন সময়ত জিলা ক্ৰীড়া সন্থাই ফুটবল, কাবাদীকে ধৰি বিভিন্ন প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত কৰি আহিছিল যদিও বিগত দুই বছৰে কোনো প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নাই। আনকি বিগত সময়ছোৱাত জিলা প্ৰকল্পৰ খেলপথাৰতে প্ৰশিক্ষণ গ্ৰহণ কৰি অঞ্চলটোৰ বহুকেইজন যুৱকে আৰক্ষী, চি আৰ পি এফ আদিত নিযুক্তি পাবলৈ সক্ষম হৈছিল। কিন্তু খেলপথাৰখনৰ নিৰ্মাণ কাম সম্পূৰ্ণ হৈ নুঠাত অঞ্চলটোৰ যুৱক-যুৱতীসকল প্ৰশিক্ষণ লোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এইক্ষেত্ৰত স্থানীয় সচেতন ৰাইজ আৰু খেলুৱৈসকলে জিলা প্ৰকল্পৰ নিৰ্মাণৰ কাম খৰতকীয়াকৈ কৰি সম্পূৰ্ণ কৰি তুলিবলৈ নিৰ্মাণ প্ৰতিষ্ঠানটোক দাবী জনাইছে।

### কৃষকৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে গ্ৰহণ কৰা সাৰ ক্ৰয়ৰ ৰূপৰেখাৰ পাইলট প্ৰজেক্টক লৈ আলোচনা

# নলবাৰীত কৃষি বিষয়াৰে পৰ্যালোচনা বৈঠক জিলা আয়ুক্তৰ

**অসম ভূমি সেৱা, নলবাৰী ঃ** নলবাৰী জিলা কৃষি বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীৰ সৈতে নলবাৰী জিলা আয়ুক্তই যোৱা ২৭ জুনত এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। উক্ত বৈঠকত কৃষকৰ উৎপাদন বৃদ্ধি আৰু মাটিৰ সঠিক গুণগত মানৰ উদ্দেশ্যে গ্ৰহণ কৰা 'সাৰ ক্ৰয়ৰ ৰূপৰেখা'ৰ পাইলট প্ৰজেক্টৰ খতিয়ান লৈ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী (এচিএছ)য়ে কঠোৰ নিৰ্দেশনা প্ৰদান কৰি কয় যে ক্ষিপ্ৰতাৰে সম্পন্ন কৰিব লাগিব সাৰ ক্ৰয়ৰ ৰূপৰেখা আৰু কৃষক পঞ্জীয়নৰ কাম-কাজ। লগতে কৃষক পঞ্জীয়নভুক্ত ৮০,০০০ কৃষকৰ সাৰ ক্ৰয়ৰ ৰূপৰেখাৰ অধীনত জুলাইৰ ভিতৰত ৬০ শতাংশ আৰু আগষ্টৰ ভিতৰত বাকী ৪০ শতাংশ QR CODE সৃষ্টি কৰি ক্ৰয়-বিক্ৰয় সম্পূৰ্ণ কৰিব লাগিব। লগতে চক্ৰ বিষয়াসকলে কৃষক পঞ্জীয়নৰ ক্ষেত্ৰত সমগ্ৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি ক্ষিপ্ৰতাৰে সকলো কাম শেষ কৰাৰ কঠোৰ নিৰ্দেশ প্ৰদান কৰে জিলা আয়ুক্তই। ইফালে কৃষি উন্নয়ন বিষয়া, সহকাৰী কৃষি পৰিদৰ্শক, কৃষি সম্প্ৰসাৰণ সহায়কসকলকো প্ৰতিদিনে কৃষক ৰাইজৰ মাজত সজাগতা সৃষ্টি আৰু সুবিধাৰ্থে গধূলি গাঁৱে গাঁৱে কৃষক সভা অনুষ্ঠিত কৰাৰ নিৰ্দেশনা প্ৰদান কৰে। উক্ত বৈঠকত উপস্থিত থাকে অতিৰিক্ত জিলা আয়ুক্ত কৃষি কৌস্তুভ কলিতা, এ চি এছ, সহকাৰী আয়ুক্ত (কৃষি) গুঞ্জনা শইকীয়া, এ চি এছ, চক্ৰ বিষয়াসকল, জিলা কৃষি বিষয়া দিবাকৰ ডেকা, মহকুমা কৃষি বিষয়াদ্বয় ক্ৰমে ৰমণীকান্ত শৰ্মা আৰু ঘনশ্যাম দাস, কৃষি উন্নয়ন বিষয়াসকল, কৃষি পৰিদৰ্শক তথা কৃষি সম্প্ৰসাৰণ সহায়কসকল।

## মানাহ প্ৰেছ ক্লাবৰ নতুন সমিতি গঠন

**মানাহ ঃ** মানাহ বিধানসভা সমষ্টিৰ পৰা সংবাদসেৱা আগবঢ়োৱা সাংবাদিকসকলৰ এখন সাধাৰণ সভা যোৱা দেওবাৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ পৰিদৰ্শন বঙলাত অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক ৰাজীৱ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে সাংবাদিক চাকিল আহমেদে। সভাত সাংবাদিক ক্ৰমে আমিৰ আলী, জাহিদুল ইছলাম, মনিল দৈমাৰী, নজৰুল ইছলাম, প্ৰসন্ন নাথ, ইমদাদুল ইছলাম, খাইৰুল ইছলামে বৃহত্তৰ মানাহ বিধানসভা সমষ্টি তথা শালবাৰী মহকুমাৰ সংবাদসেৱাৰ ক্ষেত্ৰখনত সাংবাদিকতাৰ নীতিৰে তথা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ নীতিৰে ৰাইজৰ পক্ষত সাংবাদিকতা কৰাৰ ওপৰত বক্তৃতা প্ৰদান কৰে। সভাত ৰাজীৱ তালুকদাৰক সভাপতি আৰু চাকিল আহমেদক সাধাৰণ সম্পাদকৰূপে লৈ ১৩ জনীয়া মানাহ প্ৰেছ ক্লাবৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সভাত বৃহত্তৰ মানাহ বিধানসভা সমষ্টি তথা শালবাৰী মহকুমাৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰ উন্নয়নৰ লক্ষ্যৰে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

### গ্ৰন্থই সাহিত্য সৃষ্টিৰ লগতে লেখকৰ নতুন পৰিচয় দিয়ে ঃ ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ

# মঙলদৈত ডাঃ ভূপেন চহৰীয়াৰ গ্ৰন্থ উন্মোচন

**অসম ভূমি সেৱা, মঙলদৈ ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় দৰং জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ উদ্যোগত যোৱা দেওবাৰে গ্ৰন্থ উন্মোচনী সভা এখন অনুষ্ঠিত হয়। দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথৰ সভাপতিত্বত মঙলদৈ সনাতন ধৰ্মসভাৰ সভাগৃহত অনুষ্ঠিত সভাখন বন্তি প্ৰজ্বলনেৰে আৰম্ভ হয়। বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক, গৱেষক শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাই। ইয়াৰ পিছতে আৰম্ভণী গীত পৰিৱেশন কৰে ডাঃ বনানী দাসে। আদৰণী ভাষণ দিয়ে দৰং জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি, সাহিত্যিক কমলাকান্ত ডেকাই। তেওঁ কয় যে আঠখন গ্ৰন্থ প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিয়া বুলি উল্লেখ কৰে। ইয়াৰ উপৰি ডেকাই দৰং জিলাৰ বিভিন্ন বিষয়ক লৈ প্ৰকাশন উপ-সমিতিয়ে গ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলোৱাৰ কথা উল্লেখ কৰে। দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী আৰু প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক অখিল ৰঞ্জন ভট্টই আঁত ধৰা সভাখনত খৰিকাজাঁই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ভূপেন চহৰীয়াৰ কলমত গদ্য আৰু পদ্য সাহিত্যৰ সমাহাৰ ঘটা 'প্ৰেম আৰু প্ৰেৰণা' নামৰ গ্ৰন্থখন উন্মোচন কৰে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট চিকিৎসক ডাঃ অমৰেন্দ্ৰ নাৰায়ণে। গ্ৰন্থ উন্মোচন কৰি তেওঁ কয় গ্ৰন্থ হৈছে মানুহৰ প্ৰকৃত বন্ধু। ডাঃ ভূপেন চহৰীয়া অকল লেখকেই নহয় সমাজসেৱক আৰু সু-শৃংখলিতভাৱে এখন সুন্দৰ ঘৰ পৰিচালকো। পাঠকৰ সংখ্যা কমি গ'লেও, গ্ৰন্থ লেখকৰ গ্ৰন্থ প্ৰকাশৰ উৎসাহ কিন্তু বাঢ়িছে। ইয়াৰ ফলত সাহিত্য সৃষ্টি হৈছে আৰু লেখকৰ এটা নতুন স্বীকৃতি বাঢ়িছে। দৰং ৰত্ন বঁটা প্ৰাপক ফুলেন্দ্ৰ নাথ চহৰীয়াই আশীৰ্বাদসূচক বক্তব্য প্ৰদান কৰে।





সভাত হেৰেম্বই মহন্তই জুবিন গাৰ্গৰ গীত এটি পৰিৱেশন কৰে। সভাত খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বুদ্ধিন হাজৰিকাই কয় যে অসমৰ অসমীয়া ভাষা সংকটাপন্ন যদিও লেখকসকলৰ গ্ৰন্থ সৃষ্টিৰে আমাৰ ভাষাটো চহকী হ'ব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে গ্ৰন্থ লেখক ডাঃ ভূপেন চহৰীয়াই গ্ৰন্থ প্ৰকাশৰ অভিজ্ঞতা প্ৰকাশ কৰে। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰামচন্দ্ৰ ডেকা, চহিৰ ভূঞা, অসম সাহিত্য সভাৰ সাংস্কৃতিক সমিতিৰ আহ্বায়ক ডাঃ মৃণ্ময় কুমাৰ নাথ, ৰাজ্যভাষা আৰু মাতৃভাষাৰ আহ্বায়ক ৰাণা আলম, মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়া, ৰাজ্যিক সমিতিৰ দৰং জিলাৰ সদস্য মুকুট হাজৰিকা, জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত সচিব হৰেন কাকতি, দৰং জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়া, মঙলদৈ সনাতন ধৰ্মসভাৰ সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকা, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, কোষাধ্যক্ষ উপেন্দ্ৰ চহৰীয়া, খৰিকাজাঁই সাহিত্য সভাৰ সভাপতি হেমকান্ত নাথ, সম্পাদক মদন চন্দ্ৰ বৰুৱাসহ সভ্যসকল, স্তম্ভ লেখক মুনীন্দ্ৰ বৈশ্য, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক শশাংক হাজৰিকা, সাংবাদিক আব্দুল খালেক, গণেশ দত্ত প্ৰমুখ্যে কৰি দুই শতাধিক লোক উপস্থিত আছিল।

### মিৰ্জাত পৰাগজ্যোতি প্ৰকাশনৰ উদ্যোগত কল্পনা গোস্বামী ভৰালীৰ কবিতা সংকলন উন্মোচন

# সাধাৰণ লোকৰ হৃদয়স্পৰ্শী হ'ব লাগে কবিতা ঃ ড° দয়ানন্দ পাঠক

**আজাৰা ঃ** যোৱা দেওবাৰে পৰাগজ্যোতি প্ৰকাশনৰ উদ্যোগত কবি কল্পনা গোস্বামী ভৰালী ৰচিত কবিতা সংকলন 'জোনাক ৰাতিৰ স্বাক্ষৰ' মিৰ্জাৰ বৰকুছিস্থিত 'ৰয়েল পেলেচ'ত উন্মোচন কৰা হয়। মেঘালয়ৰ শ্বিলংস্থিত ছেণ্ট এড্মনিজ মহাবিদ্যালয়ৰ সংগীত বিভাগৰ অধ্যাপিকা ড° কান্তা কাবেৰী দাসৰ সৰস্বতী বন্দনাৰে আৰম্ভ কৰা সভাখনি উদ্বোধন কৰি অসম কলেজ অধ্যক্ষ পৰিষদৰ ভূতপূৰ্ব সভাপতি তথা বৰেণ্য শিক্ষাবিদ-বিজ্ঞানী অধ্যাপক অৰুণ চন্দ্ৰ শৰ্মাই কয় যে আধুনিক কবিতা বুজাটো জটিল। সমাজ নিৰ্মাণমুখী কবিতাবোৰ আজীৱন ৰৈ থাকে। বিজ্ঞানৰ দূত উন্নয়নৰ সময়তো কবিতাৰ মূল্য আছে আৰু আজীৱন থাকিব। কল্পনা গোস্বামী ভৰালীৰ গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ, অন্তৰ্মুখী আৰু হৃদয়মুখী হ'ব লাগে কবিতা। সভাৰ মুখ্য অতিথি অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক




সাহিত্যিক, বুদ্ধিজীৱী ড° দয়ানন্দ পাঠকে কয় যে কবিতাৰ সৃষ্টিত যথেষ্ট ভাব-অনুভূতি থাকে। কবিসকল শব্দৰ প্ৰতি যথেষ্ট দায়বদ্ধ হ'ব লাগে। প্ৰতিগৰাকী ব্যক্তিৰ মাজত কবিতা সোমাই থাকে। সাধাৰণ লোকৰ হৃদয়স্পৰ্শী হ'ব লাগে কবিতা। তথা বিশিষ্ট নাট্যকাৰ-লেখক ড° জগদীশ পাটগিৰীয়ে কয়— 'আমি মূল্যবোধ সৃষ্ট কাম-কাজ কবি-সাহিত্যিক সমাজে কৰিব লাগে। কবিসকল যুগদ্ৰষ্টা। শব্দৰে আলোড়িত কৰিব লাগে। কবিতাৰে চিন্তন-মনন-মন্থন কৰি তুলিব লাগে। কবিয়ে মাৰ্গ দৰ্শন দিব পাৰে। কল্পনা গোস্বামী ভৰালীৰ কবিতাত সমাজমুখী চিন্তা আছে।' পৰাগজ্যোতি প্ৰকাশনৰ সচিব তথা সাংবাদিক দীপক শৰ্মাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত দিছপুৰ মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তথা গৱেষক ড° সঞ্জীৱ কুমাৰ শৰ্মা, অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা তথা বিশিষ্ট শিল্পী বিজুলী গোস্বামী, বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক গৌৰীকান্ত নাথ, অৱসৰপ্ৰাপ্ত অভিযন্তা বীৰেন ভৰালীয়ে সন্মানীয় অতিথিৰূপে অংশ লৈ পৰাগজ্যোতি প্ৰকাশনৰ সাৰ্থক প্ৰয়াস আৰু কবি কল্পনা গোস্বামী ভৰালী কাব্য সাধনাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ আহ্বায়ক পদুমী পাঠক, ড° তৰালি নাথ শৰ্মা, গুৱাহাটী জিলা বৈদিক-বৈষ্ণৱ মহাসভাৰ সহকাৰী সম্পাদক মীনু নাথে গীত-কবিতা পৰিৱেশন কৰি পৰিৱেশটো প্ৰাণৱন্ত কৰি তোলে। অনুষ্ঠানত বিশিষ্ট কবি নৰেন মজুমদাৰ, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ উপদেষ্টা মনোৰঞ্জন ভট্টাচাৰ্য, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি মদন দাস আদিৰ লগতে জালুকবাৰী, আজাৰা, সৰপাৰা, মিৰ্জা, উপৰহালী, বৰিহাট, ৰাণী আদি অঞ্চলৰ কবি-সাহিত্যিকে অংশগ্ৰহণ কৰে।

■ অসম ভূমি ■ ১ জুলাই, ২০২৬ ■

## সম্পাদকৰ মেজৰ পৰা...

# জলসম্পদৰ ব্যৱহাৰ

প্ৰকৃতিৰ অলেখ লীলা-খেলাৰ মাজত বানপানীও এবিধ। প্ৰকৃতিৰ স্বাভাৱিক গতি ৰুদ্ধ কৰিবলৈ মানুহে সৃষ্টি কৰা বানপানী মানৱ সমাজৰ বাবে বিভীষিকাৰ ৰূপত থিয় দিছে। বৰ্ষা কালত অধিক বৃষ্টিপাত হোৱাৰ বাবে নদীৱে বৈ অহা পানীৰ পৰিমাণ বৃদ্ধি হয় আৰু অনেক সময়ত বহন ক্ষমতাতকৈ অধিক পানীয়ে নদীবোৰক হেঁচা মাৰি ধৰেহি। অতিৰিক্ত জলভাগ গ্ৰহণ কৰিবলৈ নদীবোৰে অস্বীকাৰ কৰে। সেই উদ্বৃত্ত জলৰাশি নদীৰ দুয়োপাৰেদি ব'বলৈ ধৰে আৰু খেতিপথাৰ তথা জনবসতিপূৰ্ণ ঠাই বুৰাই পেলায়। পানীৰ প্ৰাচুৰ্যলৈ লক্ষ্য কৰি এনে অৱস্থাক পানীৰ বান অথবা বানপানী আখ্যা দিয়া হ'ল। নদীপ্ৰধান ৰাজ্য অসমৰ বাসিন্দাসকলৰ বাবে বানপানী কোনো আকস্মিক দুৰ্ঘটনা নাছিল। ঋতু পৰিৱৰ্তনৰ দৰে বৰ্ষাকালীন এক পৰিঘটনা হিচাপে অসমৰ ৰাইজে গ্ৰহণ কৰিছিল। কৃষক ৰাইজে বছৰটোৰ কৃষিচক্ৰত বানপানীৰ সম্ভাৱনীয়তাক অন্তৰ্ভুক্ত কৰি লৈছিল আৰু তাৰ বাবে কৃষিকৰ্মৰ সূচীত সাধাৰণতে কোনো ধৰণৰ মাৰাত্মক ক্ষতিকাৰক প্ৰভাৱ পৰা নাছিল। বানপানী কেতিয়াও আগজাননী নিদিয়াকৈ হঠাতে অহা নাছিল। তাৰ উপৰি বানপানী আছিল সাময়িক অৱস্থাহে। বানপানী যেনেকৈ খেতিপথাৰত সোমাইছিল, তেনেকৈ স্বাভাৱিক প্ৰক্ৰিয়াৰে নামনিৰ ফালে গতি কৰিছিল। পথাৰত বাঢ়ি অহা শস্য (Standing crops)ৰ ক্ষতি হৈছিল সামান্য। বাঢ়নী পানীত জীৱন্ত মানুহ উটি যোৱা ঘটনা আছিল অতি বিৰল। যি দুই-এটা তেনে দুৰ্ঘটনা ঘটিছিল, তাৰ বেছিভাগৰ বাবে জগৰীয়া আছিল ভুক্তভোগী লোকসকল। বানপানীপ্ৰৱণ এলেকাত মানুহে থকা ঘৰবোৰৰ ভেটিবোৰ যিমান সম্ভৱ ওখকৈ নিৰ্মাণ কৰিছিল। গৰু, ছাগলী, গাহৰি আদি পোহনীয়া জন্তুবোৰ নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিছিল। আগতেই উল্লেখ কৰা হৈছে অসমত বানপানী এক দীৰ্ঘকালীন অৱস্থা নাছিল। দুই-এদিনতে পানীৰ স্তৰ নিম্নগামী হৈছিল আৰু মানুহৰ স্বাভাৱিক জীৱনযাত্ৰা ঘূৰি আহিছিল। সাধাৰণতে বানপানীয়ে অসমৰ সমাজ জীৱনত কোনো স্থায়ী প্ৰভাৱ পেলাব পৰা নাছিল। জাৰকালি ঠাণ্ডা পৰে, চ'ত মাহত ধুমুহা আনে, গ্ৰীষ্মকালত উৎকত গৰম আৰু বৰ্ষাকালত ধাৰাষাৰ বৰষুণ। অধিক বৃষ্টিপাতে বানপানীৰ সৃষ্টি কৰে। এই ঋতুচক্ৰৰ সৈতে অসমৰ ৰাইজ পৰিচিত। তাৰ ব্যতিক্ৰম হ'লে কৃষক ৰাইজৰ মাজত হাহাকাৰ লাগিছিল। বানপানীৰ আন এক ৰূপ আছে। সেয়া হৈছে সংহাৰী ৰূপ। বানে গছকি যোৱা খেতিপথাৰবোৰত পলস পৰি সাৰুৱা হৈ পৰে সঁচা, কিন্তু লগে লগে শস্যবোৰ চাঁহি-মুহি নিয়ে। অনেক সময়ত তীব্ৰগতিত নামি অহা পানীৰ লগত কঢ়িয়াই অনা বালিয়ে খেতিপথাৰবোৰ পুতি পেলায় আৰু পৰৱৰ্তী কেইবাবছৰলৈ খেতিৰ অনুপযোগী কৰি পেলায়। সেয়ে ভুক্তভোগী কৃষকৰ বাবে বানপানী অভিশাপ হৈ পৰে। কৃষিখণ্ডৰ সহযোগী হিচাপে মীন বিভাগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰাকৃতিকভাৱে নদী, বিল, খাল আদিত উৎপন্ন হোৱা মাছবোৰে বানপানীৰ সময়ত মুকলি বহল পানীত বিচৰণ কৰাৰ সুযোগ পায়। জলাশয়বোৰত আবদ্ধ মাছবোৰ বানপানীৰ সময়ত চাৰিওফালে বিয়পি পৰে আৰু মাছৰ প্ৰয়োজন পূৰণ কৰাত সহায় কৰে। বৃষ্টিপাতৰ পৰিমাণ, বতৰৰ আচৰণ আৰু কৃষিচক্ৰৰ মাজত ভাৰসাম্য কালক্ৰমত হেৰাই গ'ল। ফলত প্ৰকৃতিয়ে ইয়াৰ ভয়ানক আৰু বিধ্বংসী ৰূপত প্ৰদৰ্শন কৰিবলৈ ধৰে। বোৱঁতী নদীৰ উদ্বৃত্ত জলভাগ অবৈজ্ঞানিকভাৱে নিয়ন্ত্ৰণ কৰিবলৈ যোৱাৰ ফলত আমাৰ ৰাজ্যখন এনে এটা অৱস্থাত উপনীত হৈছে যে কোনো উন্নয়নমূলক প্ৰকল্পৰে সফল ৰূপায়ণ অসম্ভৱ হৈ পৰিছে। বছৰৰ শুকান ৮/৯ মাহত কৰা কামখিনি তিনি মাহৰ বানপানীয়ে উটুৱাই লৈ যায়। সেয়ে বানপানী নিয়ন্ত্ৰণ কৰাত অগ্ৰাধিকাৰ দিয়াটো জৰুৰী বিষয় হৈ পৰিছে। অসম জলসম্পদত চহকী বুলি কৈ আত্মসন্তুষ্টি লাভ কৰাৰ সময় কেতিয়াবাই উকলি গ'ল। সেই জলৰ উপযুক্ত ব্যৱহাৰ কৰিব নোৱাৰিলে সম্পদৰ সলনি আপদহে হ'ব।

*সমাজৰ সুস্থ পৰিৱেশ নিৰ্মাণত সাংস্কৃতিক আৰু বৌদ্ধিক নেতৃত্বৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। কোনো এখন সমাজক যদি এটা জীৱন্ত শৰীৰ বুলি ধৰা হয়, তেন্তে বৌদ্ধিক আৰু সাংস্কৃতিক নেতৃত্ব হ'ল তাৰ মগজু। যি সময়ত সমাজৰ আৰ্হিস্বৰূপ ব্যক্তি তথা নেতৃত্বস্থানীয় লোকসকল নৈতিক আদৰ্শৰ পৰা বিচ্ছুৰিত হয়, তেতিয়া সেই সমাজত এক প্ৰকাৰৰ নৈৰাজ্য বা উশৃংখলতাৰ সূত্ৰপাত ঘটে। শিশুসকলৰ মাজত নৈতিকতা আৰু দেশপ্ৰেমৰ শিক্ষা কেৱল পাঠ্যপুথিত সীমাবদ্ধ ৰাখিলে নহ'ব, তেওঁলোকে নিজৰ চাৰিওফালে দেখা ব্যক্তিবিশেষৰ আচৰণৰ দ্বাৰাও প্ৰভাৱিত হয়। আমাৰ সমাজৰ সাংস্কৃতিক অনুষ্ঠান, সাহিত্য-চৰ্চা আৰু শৈক্ষিক ক্ষেত্ৰত যিসকলে নেতৃত্ব বহন কৰে, তেওঁলোকৰ ব্যক্তিত্বত যদি নৈতিক স্খলন দেখা দিয়ে, তেন্তে তাৰ নেতিবাচক প্ৰভাৱ পোনপটীয়াভাৱে কোমলমতি শিশুসকলৰ ওপৰত পৰে।*

# শিশুৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষা আৰু দেশপ্ৰেমৰ ভূমিকা

**প্ৰেম বৈষ্ণৱ**

মানৱ জীৱনৰ নৈতিকতাৰ প্ৰথম পাঠ ঘৰৰ চোতালতে অংকুৰিত হয়, যাৰ পৰিপক্কতাৰ যাত্ৰা আৰম্ভ হয় বিদ্যালয়ৰ চৌহদত।

এজন শিশুৰ মন এখন স্বচ্ছ দাপোণৰ দৰে। আমি যি প্ৰতিফলিত কৰিম, সেই শিশুটিৰ মাজত তেনে প্ৰতিচ্ছবিয়েই গঢ় লৈ উঠিব। বৰ্তমান সমাজত নৈতিক অৱক্ষয়ৰ যি নগ্ন ছবি ফুটি উঠিছে, সেয়া আমাৰ বাবে এক গভীৰ চিন্তনীয় বিষয়। শিশুসকলৰ মাজত নৈতিকতা জগাই তোলাৰ প্ৰাথমিক পদক্ষেপস্বৰূপে তেওঁলোকক সত্যৰ পথত চলাবলৈ শিকোৱা অতি প্ৰয়োজনীয়। সত্য কেৱল এটা শব্দ নহয়, সত্য এক সুকীয়া জীৱন দৰ্শন। শিশুৱে যেনেকৈ জ্যেষ্ঠসকলৰ পৰা শুনিব, ঠিক তেনেকৈ তেওঁলোকৰ আচৰণত সেই কথা ফুটি উঠিব। আমি যদি তেওঁলোকক সৎ হ'বলৈ উপদেশ দিওঁ, তেন্তে নিজে প্ৰথমে সেই আদৰ্শৰ প্ৰতিচ্ছবি হৈ পৰিব লাগিব। নৈতিকতা কেৱল পুথিগত বিদ্যাত আৱদ্ধ নৰাখিব, ইয়াক প্ৰতিদিনৰ কাৰ্যত অনুশীলন কৰিব লাগিব। প্ৰতিদিনে শিশুৱে কৰা কামবোৰে তেওঁলোকৰ বিবেকক কিদৰে পৰিষ্কাৰ ৰাখিব পাৰে, সেই শিক্ষা প্ৰদান কৰা শিক্ষক আৰু অভিভাৱকৰ মুখ্য দায়িত্ব।

শিশুৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলিবলৈ প্ৰথমে তেওঁলোকক নিজৰ দেশৰ ইতিহাস আৰু সংস্কৃতিৰ সৈতে পৰিচয় কৰি দিয়াটো অপৰিহাৰ্য। দেশপ্ৰেম মানে কেৱল কোনো নিৰ্দিষ্ট দিনত পতাকা উত্তোলনৰ ধৰ্ম পালন কৰাটো নহয়। দেশপ্ৰেম হ'ল নিজৰ দেশৰ মাটি, মানুহ, ভাষা আৰু পৰম্পৰাৰ প্ৰতি থকা অকৃত্ৰিম মৰম। যেতিয়া এজন শিশুৱে নিজৰ দেশৰ গৌৰৱময় ইতিহাস পঢ়িব, তেতিয়া তেওঁৰ মনত স্বাভাৱিকতেই এক গৌৰৱবোধৰ সৃষ্টি হ'ব। আমাৰ দেশখন কিমান ত্যাগ আৰু সংগ্ৰামৰ বিনিময়ত গঢ়ি উঠিছে, সেয়া শিশুসকলক শিকাব লাগিব। আমাৰ বীৰ শ্বহীদসকলৰ বীৰত্বগাঁথা আৰু সমাজ সংস্কাৰকসকলৰ জীৱন যাত্ৰাই শিশুৰ মনত দেশপ্ৰেমৰ অংকুৰণ ঘটাব পাৰে; কিন্তু এই ক্ষেত্ৰত কেৱল কেতাবী জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিলে সুফল পোৱা নাযাব। তেওঁলোকক ব্যৱহাৰিকভাৱে দেশৰ প্ৰতি থকা দায়িত্বসমূহৰ বিষয়ে অৱগত কৰিব লাগিব। নিজৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰখা, ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা দিয়া আৰু লগৰীয়াৰ সৈতে মিলিজুলি থকা—এই সকলোবোৰ কাৰ্য দেশপ্ৰেমৰ একোটা অংশ।

শিশুৰ নৈতিকতাৰ ভেটি হ'ল সহানুভূতি। অন্যৰ দুখত দুখী হোৱা আৰু প্ৰয়োজনত সহায় কৰাৰ মানসিকতাই শিশুক এগৰাকী সু-মানুহ হিচাপে গঢ়ি তোলে। বৰ্তমান সময়ত শিশুসকলে কেৱল নিজৰ স্বাৰ্থৰ কথা ভাবিছে। তেওঁলোকৰ মাজত গোটেই পৃথিৱীখনৰ প্ৰতি এক উদাসীনতা গঢ় লৈ উঠা যেন লাগে। এই মনোভাৱ সলনি কৰিবলৈ তেওঁলোকক অনাথ আশ্ৰম বা দৰিদ্ৰ পৰিয়ালক সহায় কৰাৰ দৰে কামত উৎসাহিত কৰিব লাগিব। যেতিয়া তেওঁলোকে নিজৰ হাতৰ পৰা উপহাৰ দি আনক আনন্দিত কৰিব, তেতিয়াই তেওঁলোকৰ মনত নৈতিকতাৰ গভীৰ অৰ্থ প্ৰতিষ্ঠিত হ'ব। পঢ়া-শুনাৰ সমান্তৰালকৈ প্ৰত্যেক শিশুৰ মাজত মানৱীয় গুণৰ বিকাশ হোৱাটো খুবেই জৰুৰী। দয়ালুতা, ক্ষমা, ধৈৰ্য, ত্যাগ আৰু সততা যেন তেওঁলোকৰ সহজাত প্ৰবৃত্তি হৈ পৰে, তাৰ বাবে আমি অহোপুৰুষাৰ্থ কৰিব লাগিব।

আজিৰ পৰিৱেশত নৈতিকতা শিক্ষা দিয়াটো এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে, কাৰণ শিশুসকলে ইণ্টাৰনেটৰ জৰিয়তে দেখা বহুতো কথাই তেওঁলোকৰ মানসিক বিকাশত বাধাৰ সৃষ্টি কৰিছে। সেইবাবে তেওঁলোকৰ সৈতে অধিক সময় অতিবাহিত কৰিব লাগিব। তেওঁলোকৰ সৈতে মন খুলি কথা পতা, তেওঁলোকৰ ভয় বা সংশয়বোৰ শুনা আৰু সঠিক পৰামৰ্শ দিয়াটো শিক্ষক বা অভিভাৱকৰ প্ৰধান দায়িত্ব। নৈতিকতা কেৱল ভাল কাম কৰাটোত সীমাবদ্ধ নাৰাখি, ভুল কামৰ পৰা নিজক আঁতৰাই ৰখাটোতো গুৰুত্ব দিব লাগিব। ভুল কৰাটো মানুহৰ স্বভাৱজাত; কিন্তু সেই ভুলটো স্বীকাৰ কৰি পুনৰ নকৰাৰ সাহস সঞ্চয় কৰাটোহে আচল শিক্ষা। সাহস অবিহনে নৈতিকতা অসম্পূৰ্ণ। তেওঁলোকৰ মাজত এনে মানসিক দৃঢ়তা গঢ়ি তুলিব লাগিব যাতে অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পাৰে। দেশপ্ৰেম আৰু নৈতিকতা একেটা মুদ্ৰাৰ দুটা পিঠি। যিজন ব্যক্তি নৈতিকভাৱে সবল, তেওঁ কেতিয়াও নিজৰ দেশৰ অনিষ্ট কৰিব নোৱাৰে। এই দুই গুণৰ সমন্বয়তহে এক সুস্থ সমাজৰ পুনৰ নিৰ্মাণ সম্ভৱপৰ হ'ব।

সমাজৰ সুস্থ পৰিৱেশ নিৰ্মাণত সাংস্কৃতিক আৰু বৌদ্ধিক নেতৃত্বৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। কোনো এখন সমাজক যদি এটা জীৱন্ত শৰীৰ বুলি ধৰা হয়, তেন্তে বৌদ্ধিক আৰু সাংস্কৃতিক নেতৃত্ব হ'ল তাৰ মগজু। যি সময়ত সমাজৰ আৰ্হিস্বৰূপ ব্যক্তি তথা নেতৃত্বস্থানীয় লোকসকল নৈতিক আদৰ্শৰ পৰা বিচ্ছুৰিত হয়, তেতিয়া সেই সমাজত এক প্ৰকাৰৰ নৈৰাজ্য বা উশৃংখলতাৰ সূত্ৰপাত ঘটে। শিশুসকলৰ মাজত নৈতিকতা আৰু দেশপ্ৰেমৰ শিক্ষা কেৱল পাঠ্যপুথিত সীমাবদ্ধ ৰাখিলে নহ'ব, তেওঁলোকে নিজৰ চাৰিওফালে দেখা ব্যক্তিবিশেষৰ আচৰণৰ দ্বাৰাও প্ৰভাৱিত হয়। আমাৰ সমাজৰ সাংস্কৃতিক অনুষ্ঠান, সাহিত্য-চৰ্চা আৰু শৈক্ষিক ক্ষেত্ৰত যিসকলে নেতৃত্ব বহন কৰে, তেওঁলোকৰ ব্যক্তিত্বত যদি নৈতিক স্খলন দেখা দিয়ে, তেন্তে তাৰ নেতিবাচক প্ৰভাৱ পোনপটীয়াভাৱে কোমলমতি শিশুসকলৰ ওপৰত পৰে।

সাংস্কৃতিক জগতৰ লগত জড়িত ব্যক্তিসকলৰ আচৰণে শিশুৰ অন্তৰত গভীৰ প্ৰভাৱ পেলায়। সংগীত, নাটক, সাহিত্য আৰু গণ-মাধ্যমৰ জৰিয়তে প্ৰচাৰিত হোৱা আদৰ্শই শিশুৰ মনৰ গতিপথ নিৰ্ধাৰণ কৰে। আজিৰ যুগৰ সমাজত যিধৰণৰ উশৃংখলতা বা নৈতিক বিস্খলন দেখা গৈছে,

■ নৱম পৃষ্ঠাত

**ইথানলৰ ব্যৱহাৰ বৃদ্ধিৰ সৈতে ফ্লেক্স-ফুৱেল বাহনৰ ধাৰণাটো ওতঃপ্ৰোতভাৱে জড়িত। ফ্লেক্স-ফুৱেল বাহন এনে এক যান্ত্ৰিক ব্যৱস্থা য'ত ১০০ শতাংশ পেট্ৰ'লৰ পৰা আৰম্ভ কৰি ৮০ বা ১০০ শতাংশ ইথানল মিশ্ৰিত ইন্ধনলৈকে যিকোনো মিশ্ৰণত ইঞ্জিনটো চলিব পাৰে। চৰকাৰে অট'ম'বাইল নিৰ্মাতা কোম্পানীসমূহক এনে ধৰণৰ বাহন উৎপাদনৰ বাবে উৎসাহিত কৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি যেনে পেট্ৰ'ল পাম্পসমূহত ২০ শতাংশ ইথানল মিশ্ৰিত পেট্ৰ'ল বা তাতকৈ অধিক মিশ্ৰণৰ ইন্ধনৰ বাবে পৃথক নজল বা মেচিন স্থাপন কৰাটো জৰুৰী হৈ পৰিছে। এনে পৰিৱৰ্তনৰ ফলত গ্ৰাহকসকলে সস্তাত ইন্ধন লাভ কৰাৰ সুযোগ পাব, কাৰণ পেট্ৰ'লৰ তুলনাত ইথানলৰ উৎপাদন ব্যয় কম। চৰকাৰী নীতি অনুসৰি ইথানল মিশ্ৰিত ইন্ধনৰ ওপৰত কৰৰ বোজা হ্ৰাস কৰিলে ই সৰ্বসাধাৰণৰ বাবে অধিক গ্ৰহণযোগ্য হৈ পৰিব।**




# সেউজ ইন্ধন-সমৃদ্ধ কৃষক

## ইথানল মিশ্ৰিত ভাৰতৰ নতুন ভৱিষ্যৎ

**সত্যব্ৰত বৰা**

ভাৰতৰ শক্তিখণ্ডত বৰ্তমান এক অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা হৈছে। পৰম্পৰাগত জীৱাশ্ম ইন্ধনৰ পৰিৱৰ্তে জৈৱ ইন্ধন বা ইথানলৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। শেহতীয়া সময়ছোৱাত ইথানল মিশ্ৰিত পেট্ৰ'লৰ ব্যৱহাৰ কেৱল পৰিৱেশ অনুকূল বিকল্পই হৈ থকা নাই, বৰঞ্চ ই দেশৰ অৰ্থনীতি আৰু শক্তি নিৰাপত্তাৰ এক অন্যতম স্তম্ভ হিচাপে থিয় দিছে। কুঁহিয়াৰ, গোমধান আৰু চাউলৰ দৰে কৃষি সামগ্ৰীৰ পৰা আহৰণ কৰা ইথানল বৰ্তমান খাৰুৱা তেলৰ পৰা পৰিশোধিত পেট্ৰ'লতকৈ বহুত কম খৰচত উৎপাদন কৰিব পৰা যায়। এই অৰ্থনৈতিক কাৰকটোৱে ভাৰতত 'ফ্লেক্স-ফুৱেল' বাহনৰ প্ৰচলন আৰু পেট্ৰ'ল পাম্পসমূহত উচ্চ হাৰৰ ইথানল মিশ্ৰিত ইন্ধনৰ বাবে সুকীয়া গোট স্থাপনৰ প্ৰয়োজনীয়তাক অধিক শক্তিশালী কৰি তুলিছে।

যদিও আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত ১১০ ডলাৰৰ ওপৰত দীৰ্ঘদিন ধৰি বৰ্তি থকাটো সম্ভৱ নহ'বও পাৰে, তথাপি ভাৰতৰ দৰে এখন দেশৰ বাবে ইথানলৰ দিশে ধাৱমান হোৱাটো সাময়িক সকাহেই নহয় লগতে এক দীৰ্ঘম্যাদী কৌশলগত সিদ্ধান্তও।

ভাৰতত ইথানল উৎপাদনৰ মূল উৎসসমূহ হ'ল কৃষিৰ উপজাত সামগ্ৰী। কুঁহিয়াৰৰ পৰা উৎপাদিত মোলাচেছ বা বগা চেনি উৎপাদনৰ প্ৰক্ৰিয়াত ওলোৱা অৱশিষ্ট অংশৰ পৰা ইথানল প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰিও নষ্ট হোৱা খাদ্যশস্য যেনে ভঙা চাউল বা অতিৰিক্ত গোমধানৰ পৰাও এই ইন্ধন উৎপাদন কৰা সম্ভৱ। যেতিয়া গোলকীয় বজাৰত খাৰুৱা তেলৰ মূল্য আকাশলংঘী হয়, তেতিয়া ভাৰতৰ দৰে আমদানিনিৰ্ভৰ দেশ এখনৰ বাবে ই এক বৃহৎ বোজা হৈ পৰে। বৰ্তমান ভাৰতে প্ৰয়োজনীয় খাৰুৱা তেলৰ প্ৰায় ৮৫ শতাংশই আমদানি কৰিবলগীয়া হয়। এনে পৰিপ্ৰেক্ষিতত দেশৰ ভিতৰতে উৎপাদিত ইথানল ব্যৱহাৰ কৰি পেট্ৰ'লৰ আমদানি হ্ৰাস কৰিব পৰাটো এক ডাঙৰ সাফল্য। উক্ত প্ৰক্ৰিয়াই মাত্ৰ বৈদেশিক মুদ্ৰাই সঞ্চয় নকৰিব লগতে দেশৰ কৃষকসকলকো তেওঁলোকৰ উৎপাদনৰ এক সঠিক মূল্য পোৱাত সহায় কৰিব। বিশেষকৈ উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ দৰে কুঁহিয়াৰ উৎপাদনকাৰী ৰাজ্যসমূহৰ লগতে অসমৰ দৰে ঠাইতো যিহেতু কৃষিৰ পৰিসৰ বৃদ্ধিৰ সম্ভাৱনা আছে, তাত ইথানল উদ্যোগে এক নতুন জাগৰণ আনিব পাৰে।

ইথানলৰ ব্যৱহাৰ বৃদ্ধিৰ সৈতে ফ্লেক্স-ফুৱেল বাহনৰ ধাৰণাটো ওতঃপ্ৰোতভাৱে জড়িত। ফ্লেক্স-ফুৱেল বাহন এনে এক যান্ত্ৰিক ব্যৱস্থা য'ত ১০০ শতাংশ পেট্ৰ'লৰ পৰা আৰম্ভ কৰি ৮০ বা ১০০ শতাংশ ইথানল মিশ্ৰিত ইন্ধনলৈকে যিকোনো মিশ্ৰণত ইঞ্জিনটো চলিব পাৰে। চৰকাৰে অট'ম'বাইল নিৰ্মাতা কোম্পানীসমূহক এনে ধৰণৰ বাহন উৎপাদনৰ বাবে উৎসাহিত কৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি যেনে পেট্ৰ'ল পাম্পসমূহত ২০ শতাংশ ইথানল মিশ্ৰিত পেট্ৰ'ল বা তাতকৈ অধিক মিশ্ৰণৰ ইন্ধনৰ বাবে পৃথক নজল বা মেচিন স্থাপন কৰাটো জৰুৰী হৈ পৰিছে। এনে পৰিৱৰ্তনৰ ফলত গ্ৰাহকসকলে সস্তাত ইন্ধন লাভ কৰাৰ সুযোগ পাব, কাৰণ পেট্ৰ'লৰ তুলনাত ইথানলৰ উৎপাদন ব্যয় কম। চৰকাৰী নীতি অনুসৰি ইথানল মিশ্ৰিত ইন্ধনৰ ওপৰত কৰৰ বোজা হ্ৰাস কৰিলে ই সৰ্বসাধাৰণৰ বাবে অধিক গ্ৰহণযোগ্য হৈ পৰিব।

অৱশ্যে খাৰুৱা তেলৰ মূল্যৰ উঠা-নমাটো এক গুৰুত্বপূৰ্ণ দিশ। যেতিয়া আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ দাম ১১০ ডলাৰৰ তললৈ নামি আহে বা ৬০-৭০ ডলাৰৰ ঘৰত থাকে, তেতিয়া ইথানলৰ তুলনামূলক মূল্যৰ সুবিধাটো কমি যাব পাৰে; কিন্তু কেৱল মূল্যৰ বাবেই ইথানলৰ গুৰুত্ব সীমাবদ্ধ নহয়। পৰিৱেশৰ দিশৰ পৰা চালে দেখা যায় যে ইথানল দহনৰ ফলত কাৰ্বন মনোক্সাইড আৰু হাইড্ৰ'কাৰ্বনৰ দৰে ক্ষতিকাৰক গেছৰ নিৰ্গমন পেট্ৰ'লৰ তুলনাত বহুত কম হয়। বিশ্বজুৰি জলবায়ু পৰিৱৰ্তনৰ যি ভাবুকি আহি পৰিছে আৰু তাৰ মোকাবিলা কৰিবলৈ ভাৰতে কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ যি প্ৰতিশ্ৰুতি দিছে, তাক পূৰণ কৰিবলৈ ইথানল এক অপৰিহাৰ্য অস্ত্ৰ। গতিকে খাৰুৱা তেলৰ দাম কমিলেও ইথানলৰ ব্যৱহাৰ হ্ৰাস কৰাটো যুক্তিসংগত নহ'ব। বৰঞ্চ ই আমাক শক্তি নিৰ্ভৰশীলতাৰ পৰা স্বনিৰ্ভৰশীলতাৰ দিশলৈ লৈ যাব।

অৱশ্যে কিছুমান প্ৰত্যাহ্বানো আছে। প্ৰথমটো প্ৰত্যাহ্বান হ'ল খাদ্য নিৰাপত্তা। যদিহে বৃহৎ পৰিমাণৰ চাউল বা গোমধান ইন্ধন উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয়, তেন্তে ভৱিষ্যতে খাদ্য শস্যৰ অভাৱ বা মূল্যবৃদ্ধি হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে চৰকাৰে এনে এক সন্তুলন বজাই ৰাখিব লাগিব যাতে খাদ্যৰ প্ৰয়োজনীয়তা পূৰণ হোৱাৰ পিছতহে অতিৰিক্ত বা নিম্নমানৰ শস্যখিনি ইথানল প্ৰকল্পলৈ যায়। দ্বিতীয়তে, ইথানল উৎপাদনৰ বাবে পানীৰ প্ৰয়োজন অধিক হয়। বিশেষকৈ কুঁহিয়াৰ খেতিৰ বাবে যথেষ্ট পানী লাগে। সেয়েহে বৈজ্ঞানিক পদ্ধতিৰে আৰু কম পানীত অধিক উৎপাদন কৰিব পৰা প্ৰযুক্তিৰ ব্যৱহাৰ অপৰিহাৰ্য। তৃতীয়তে, পুৰণি বাহনসমূহৰ ইঞ্জিন ইথানল মিশ্ৰিত ইন্ধনৰ বাবে উপযোগী নহ'বও পাৰে। ইথানলে কিছুমান ধাতু আৰু ৰবৰৰ অংশ ক্ষয় কৰিব পাৰে। সেয়েহে পুৰণি বাহনসমূহৰ কাৰিকৰী উন্নীতকৰণ বা নতুন বাহনৰ বাবে চৰকাৰে নীতি নিৰ্দেশনা স্পষ্ট কৰিব লাগিব।

অসমৰ দৰে ৰাজ্যৰ বাবে ই এক সোণালী সুযোগ। অসমত বাঁহ আৰু কৃষি অৱশিষ্টৰ প্ৰাচুৰ্য আছে। বাঁহৰ পৰা দ্বিতীয় প্ৰজন্মৰ (2G) ইথানল উৎপাদন কৰাৰ বাবে ইতিমধ্যে নুমলীগড় শোধনাগাৰত জৈৱ-শোধনাগাৰ স্থাপন কৰা হৈছে। ইথানলে ৰাজ্যৰ অৰ্থনীতি টনকীয়াল কৰাৰ লগতে গ্ৰাম্য অঞ্চলত নিযুক্তিৰ সম্ভাৱনাও বৃদ্ধি কৰিব। কৃষকসকলে তেওঁলোকৰ পথাৰৰ নৰা বা কৃষি আৱৰ্জনা বিক্ৰী কৰি অতিৰিক্ত উপাৰ্জন কৰিব পাৰিব। ইয়াৰ দ্বাৰা বায়ু প্ৰদূষণো ৰোধ হ'ব, কাৰণ পথাৰত নৰা জ্বলোৱাৰ প্ৰথা ইয়াৰ ফলত বন্ধ হ'ব।

ভাৰতত ইথানলৰ দিশে হোৱা পৰিৱৰ্তন এক বৈপ্লৱিক পদক্ষেপ। খাৰুৱা তেলৰ মূল্য যিয়েই নহওক কিয়, ইথানলে দেশক এক বহনক্ষম ভৱিষ্যতৰ দিশে আগুৱাই লৈ যাব। চৰকাৰৰ সঠিক নীতি, উদ্যোগপতিসকলৰ বিনিয়োগ আৰু জনসাধাৰণৰ সচেতনতাই এই লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। ইথানল হ'ব ভৱিষ্যতৰ ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰতীক, যিয়ে আমাৰ গাড়ীৰ চকা ঘূৰোৱাৰ লগতে কৃষকৰ মুখতো হাঁহি বিৰিঙাব। ■



# পদপথৰ দোকানী

**অজিত চন্দ্ৰ শৰ্মা**

মই এগৰাকী
ফুটপাথৰ চাহ-দোকানী
গ্ৰাহক নাহে দামী-মানী,
কেওৱে ঠেলাৱালা
কেওৱে ৰিক্সাৱালা,
তেওঁলোকে চাহ নাখালে
ঢুকে মোৰ বেলা,
লাড়ু-পিঠা দোকানৰ নাস্তা
ৰেট বান্ধিছো সস্তা,
পুৱালে যাওঁ ওলাই
ইপিনে বজাৰত চিলিণ্ডাৰ নাই,
ডি.এ.চি নাম্বাৰ বিচাৰি
ম'বাইল টিপি হাবাথুৰি,
ক'লা বেপাৰীৰ ঘৰে
চিলিণ্ডাৰ যোগাৰ দিয়ে
দিলে কি হ'ব...!
পেটাকাঢ়ি নিয়ে।
দহ টকা ৰেটৰ লাড়ু-পিঠা
কোনোপধ্যে নুজুৰে,
শাক-পাচলি, তেল-দাইল
যিহে বস্তুৰ দাম,
কেনেকৈ কিনি খাম।
দিনটো দোকান খাটি
গধূলিৰ সাজ নাটা-নাটি।
নোকোৱাৰ মাজতে ভাই
শলাগ ন'ললে উপায় নাই,
চৰকাৰী চাউল নাপালে
ফ'লৰপুৰ গৃহস্থালি ৰসাতলে,
মাকে পায় অৰোণদয়
যদি কাৰণবশতঃ বন্ধ হয়
গৃহস্থালিত লাগিব ক্ষয়।
মই এগৰাকী
ফুটপাথৰ চাহ-দোকানী
কেলঢোপ-কেলঢোপকৈ
চলি আছো তানি-তুনি।




# উহ্যত্ব

**সংগীতা ডেকা**

লঠঙাত্ব ইমান সহজ নহয়
বুজাব নোৱাৰা এক দুৰ্লভ অনুভৱ
লঠঙাত্ব এখন উকা বুকু
যদিও সি উকা, বুকুখন খুবেই ৰঙীন
ৰংযুক্ত হোৱাৰ মানসে সজোৱা
ইন্দ্ৰধনু যেন ভাবনাৰে সমৃদ্ধ...
কি ভাবিছা?
যদি তুমি উভতি চোৱা
বসন্ত নিশ্চয় সৰি পৰিব?
কিন্তু, তুমিচোন এটি
উহ্য পৃষ্ঠাহে!





# পথভ্ৰষ্ট পথিক

**শৈলেন কুমাৰ**


অলপ শান্তি লাগে, মাথোঁ অলপ শান্তি,
য'ত নাথাকিব কোনো ভুৱা মানৱতাৰ ভ্ৰান্তি।
ভাগৰি পৰিছো এই মুখা পিন্ধা সমাজৰ পৰা,
য'ত সন্মানো মাথোঁ এটা অভিনয়, স্বাৰ্থৰে ভৰা।

যান্ত্ৰিকতা আৰু আধুনিকতাই কাঢ়ি নিলে প্ৰাণ,
জীৱন হেৰুৱাই আজি মই এক যন্ত্ৰৰ সমান।
অৰ্থহীন ব্যস্ততাই দিনে-ৰাতি খেদি ফুৰে মোক,
অসংযমী জীৱনক কন্দুৱাই দিয়ে এক নিঃসংগ শোক।

মোৰ বুকুৰ আৰ্তনাদ শুনিব কোনোবাই জানো?
এই স্বাৰ্থপৰ চহৰত নাই যে চকুলো মচা কোনো
মোৰ চিঞৰবোৰ হেৰাই যায় অৰণ্যৰ ৰোদন হৈ,
সংকুচিত মনৰ মানুহবোৰ ব্যস্ত মাথোঁ নিজক লৈ।

এফালে কুচ্ছিত পৰিৱেশ, কুপথৰ ক'লা ছাঁ,
আনফালে আনন্দ-উৎসাহৰ সেই পোহৰৰ ছাঁ।
মই জানো-সৎসংগই কঢ়িয়াই জীৱনৰ নতুন মাত্ৰা,
কুসংগই কৰে জীৱন ধ্বংস, শেষ কৰে এক সুন্দৰ যাত্ৰা।

সকলো জানো, সকলো বুজো, তথাপি মই থমকি ৰওঁ,
চকু থকা এক অন্ধ মই, পথভ্ৰষ্ট বুলি নিজক কওঁ।
তথাপিও আশা আছে, এই আন্ধাৰ ফালি ওলাই যাম,
ভুৱা সমাজৰ পৰা আঁতৰি, এদিন মই নিজক বিচাৰি পাম।



# পানী আৰু পোহৰ

**সত্যজিৎ গগৈ**

চহৰখনৰ শেষত এখন শুকান নদী ওলমি আছে
পানীবোৰে ৰাতি গোপনে সভা পাতে
কাৰ ঘৰত নামিব বৃষ্টি
আৰু কাৰ ঘৰত পোহৰ।

পোহৰ আজিকালি জোতা খুলি নাহে
সি প্ৰৱেশ কৰে গহীন খোজেৰে
দীঘল ক'ৰিডৰ এটাত গাঁওখনৰ কলবোৰে ভাষণ দিছে
শিশুবোৰে তৃষ্ণাক
ৰাষ্ট্ৰীয় সংগীত বুলি গাবলৈ শিকিছে।

পোহৰৰ ফাইলত এজন বৃদ্ধৰ ছাঁ
সেই ঘৰত এতিয়াও আন্ধাৰেই ৰজা
যোৱা নিশা চন্দ্ৰই গোপনে স্বাক্ষৰ কৰে
এটা ওখ লেম্প প'ষ্টৰ স'তে

পানী আৰু পোহৰৰ মাজত
এতিয়া যুদ্ধংদেহি প্ৰস্তুতি
মাটিবোৰে নীৰৱে ফাট মেলি কয়
মই জীৱন আৰু মই উন্নয়ন।

# জীৱন নদীৰ গাভৰু ঘাট

**উপাসনা নাথ**


জীৱন নদীৰ গাভৰু ঘাটত
সন্ধিয়া লাহে লাহে নামে
ঢৌৰ বুকুত সপোনবোৰে
নীৰৱ গান এটি থামে

কেতিয়াবা বতাহে দুখ আনে
কেতিয়াবা হাঁহিৰে পথ ভৰে
মানুহ তেনেই বৈ যায় চিৰদিন
সময়ৰ অবিৰাম ৰথত

গাভৰু ঘাটে শিকাই নীৰৱে
হাৰি গ'লেও থমকি নৰ'বা
নদীৰ দৰে আগবাঢ়ি যাবা
আন্ধাৰতো পোহৰ বিচাৰিবা

জীৱন মানে মাথোঁ গন্তব্য নহয়
ই এক অন্তহীন যাত্ৰাৰ নাম
সুখ-দুখৰ মাজেৰে মানুহে যেন
লিখে নিজৰেই গঁথা কাম

গাভৰু ঘাটৰ নীৰৱ সন্ধিয়াই
শিকায় জীৱনৰ গভীৰ পাঠ
যি যায় সি উভতি নাহে
তথাপি যে আগুৱাই সময়ৰ ৰথ।



# নৈৰাশ্যৰ প্ৰতিধ্বনি

**জ্যোতিমণি মাহন্ত**

প্ৰাত্যহিকতাৰ নিষ্ঠুৰ যঁতৰত প্ৰতিদিনে পিষ্ট হয় এটা শৈশৱী আত্মা
উষাৰ আগমন নৌহওঁতেই আৰম্ভ হয় দাসত্বৰ অলিখিত ইস্তাহাৰ,
প্ৰতিটো পুৱাতে সাৰ পায় তাইৰ ক্লান্ত পৃথিৱী
অপূৰ্ণ সপোনৰ ভগ্নাৱশেষ বুটলি আৰম্ভ হয় দৈনিক শ্ৰমৰ পৰ্ব।

হৃদয়ৰ গোপন কোণত যি প্ৰেমৰ অৰণ্য গঢ়ি উঠিছিল
তাক তাইৰ ঘৰৰ সংস্কাৰী কুঠাৰে কাটি এক মৰুভূমি কৰিলে,
যি সম্পৰ্ক আছিল উশাহ তাক ঘোষণা কৰিলে এক সামাজিক পাপ
স্বীকৃতিৰ সলনি উপহাৰ পালে কেৱল তিৰস্কাৰৰ একুৰা অগ্নি।

হাতত কাপ কাগজ চকুৰ আগত দিগন্তপ্ৰসাৰী উশাহৰ আশা
শ্ৰেণীকোঠাৰ ফালে তীব্ৰ গতিত ধাৱিত হয় তাইৰ মন,
কিন্তু তাতো জানো নিস্তাৰ আছে, একাকীত্বৰ কাৰাগাৰ ভাঙি
জ্ঞানৰ পোহৰতকৈ বাজি উঠে সময়ৰ তীব্ৰ তাড়নাত নিষ্ঠুৰ ক্ষণ।

শব্দহীনতাৰ এক সুগভীৰ ক'লা গহ্বৰ তাই
কাৰোবাক মনৰ কথা কোৱাৰ ব্যাকুলতা এতিয়া যেন মৃত,
দুমুখীয়া যন্ত্ৰণাত পিষ্ট হৈ তাই আজিকালি নিজৰ মাজতে নিৰুদ্দেশ হৈ পৰে,
বাকহীন ওঁঠত ওলমি ৰয় মাথোঁ এক শূন্যতা।

বিদ্যাৰ মন্দিৰতো তাই লৈ ফুৰে ঘৰুৱা জঞ্জালৰ অদৃশ্য দাগ
অধ্যয়নৰ কোঠাত প্ৰতিধ্বনি হয় নিৰাশাৰ হুংকাৰ,
প্ৰেমৰ পৱিত্ৰ সম্পৰ্কক মৰ্যাদা দিলে অপৰাধ বুলি
নিষ্ঠুৰ নিয়তিয়ে আজি ভাঙিব খুজিছে তাইৰ অস্তিত্বৰ ভেটি।

*শেহতীয়াকৈ ২০২৬ চনৰ ৬ আৰু ৭ জুনত অনুষ্ঠিত হৈ যোৱা 'তেজপুৰ লিচু মহোৎসৱ'-এ অসমৰ কৃষি-বাণিজ্যৰ ক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত শেহতীয়া বাতৰি অনুসৰি ইতিমধ্যে এক টন তেজপুৰৰ লিচু ডুবাইলৈ ৰপ্তানি কৰাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ইয়াৰ লগতে ছিংগাপুৰৰ বজাৰলৈকো ৫০০ কিলোগ্ৰাম লিচু প্ৰেৰণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই উপলক্ষে এক প্ৰতীকী ৰূপত ১০০ বাকচ উৎকৃষ্ট মানৰ আৰু বিশেষভাৱে পেকেজিং কৰা তেজপুৰৰ লিচু দেশৰ প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়লৈকো প্ৰেৰণ কৰা হৈছে। এই পদক্ষেপসমূহে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ক্ষেত্ৰত অসমৰ কৃষকলৈ এক সুন্দৰ আৰু ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। মহোৎসৱত কৃষক, ৰপ্তানিকাৰী, বিজ্ঞানী আৰু উদ্যোগীসকলৰ সন্মিলনে প্ৰমাণ কৰিছে যে তেজপুৰৰ লিচু এতিয়া কেৱল এক স্থানীয় ফল হৈ থকা নাই, ই ক্ৰমান্বয়ে এক গোলকীয় সামগ্ৰীলৈ ৰূপান্তৰিত হৈছে। ভাৰতীয় সেনাই এনচিচি কেডেটসকলৰ মাজত লিচুৰ পুলি বিতৰণ কৰি পৰিৱেশ সংৰক্ষণ আৰু যুৱপ্ৰজন্মক উদ্যানশস্যৰ প্ৰতি আকৰ্ষিত কৰাৰ যি প্ৰয়াস কৰিছে, সেয়াও এক সুদূৰপ্ৰসাৰী পদক্ষেপ।*



# তেজপুৰৰ লিচু আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সম্ভাৱনা

অসমৰ কৃষিভিত্তিক অৰ্থনীতিৰ প্ৰেক্ষাপটত তেজপুৰৰ লিচুৰ এক সুকীয়া আৰু গৌৰৱোজ্জ্বল স্থান আছে। বিশেষকৈ উৎকৃষ্ট মান, অনন্য সুবাস, সুন্দৰ ৰঙা আৱৰণ, প্ৰচুৰ ৰস আৰু তুলনামূলকভাৱে সৰু গুটিৰ বাবেই এই লিচুৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৰ লাভ কৰিছে। এই একক বৈশিষ্ট্যসমূহৰ বাবেই ২০১৩ চনত তেজপুৰৰ লিচুৱে সন্মানীয় 'ভৌগোলিক সূচক' (GI Tag) লাভ কৰিবলৈ সক্ষম হৈছিল। যিকোনো কৃষিজাত সামগ্ৰীয়ে এই স্বীকৃতি লাভ কৰাৰ অৰ্থ হ'ল— আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াৰ এক স্বকীয় আৰু সুৰক্ষিত পৰিচয় স্থাপন হোৱা। কিন্তু কেৱল মাত্ৰ এখন প্ৰমাণপত্ৰ বা স্বীকৃতিয়েই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দুৱাৰ মুকলি কৰিব পাৰেনে? তেজপুৰৰ লিচুক বিশ্বৰ বজাৰত এক শক্তিশালী আৰু প্ৰতিযোগিতামূলক ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ হ'লে ইয়াৰ উৎপাদন, সংৰক্ষণ, মূল্য সংযোজন আৰু আধুনিক বিপণনৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তনৰ প্ৰয়োজন।

শেহতীয়াকৈ ২০২৬ চনৰ ৬ আৰু ৭ জুনত অনুষ্ঠিত হৈ যোৱা 'তেজপুৰ লিচু মহোৎসৱ'-এ অসমৰ কৃষি-বাণিজ্যৰ ক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত শেহতীয়া বাতৰি অনুসৰি ইতিমধ্যে এক টন তেজপুৰৰ লিচু ডুবাইলৈ ৰপ্তানি কৰাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ইয়াৰ লগতে ছিংগাপুৰৰ বজাৰলৈকো ৫০০ কিলোগ্ৰাম লিচু প্ৰেৰণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই উপলক্ষে এক প্ৰতীকী

**চন্দন কুমাৰ নাথ**

ৰূপত ১০০ বাকচ উৎকৃষ্ট মানৰ আৰু বিশেষভাৱে পেকেজিং কৰা তেজপুৰৰ লিচু দেশৰ প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়লৈকো প্ৰেৰণ কৰা হৈছে। এই পদক্ষেপসমূহে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ ক্ষেত্ৰত অসমৰ কৃষকলৈ এক সুন্দৰ আৰু ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। মহোৎসৱত কৃষক, ৰপ্তানিকাৰী, বিজ্ঞানী আৰু উদ্যোগীসকলৰ সন্মিলনে প্ৰমাণ কৰিছে যে তেজপুৰৰ লিচু এতিয়া কেৱল এক স্থানীয় ফল হৈ থকা নাই, ই ক্ৰমান্বয়ে এক গোলকীয় সামগ্ৰীলৈ ৰূপান্তৰিত হৈছে। ভাৰতীয় সেনাই এনচিচি কেডেটসকলৰ মাজত লিচুৰ পুলি বিতৰণ কৰি পৰিৱেশ সংৰক্ষণ আৰু যুৱপ্ৰজন্মক উদ্যানশস্যৰ প্ৰতি আকৰ্ষিত কৰাৰ যি প্ৰয়াস কৰিছে, সেয়াও এক সুদূৰপ্ৰসাৰী পদক্ষেপ।

যোৱা কেইটামান বছৰত কৃষি আৰু বাণিজ্য বিভাগৰ ধাৰাবাহিক প্ৰচেষ্টাৰ ফলত তেজপুৰৰ লিচুৱে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউৰোপৰ বিভিন্ন দেশ আৰু মধ্যপ্ৰাচ্যৰ বজাৰত প্ৰৱেশৰ সুযোগ লাভ কৰিছে। কিন্তু গৱেষণা আৰু পৰিসংখ্যাৰ পৰা দেখা গৈছে যে আন্তঃৰাষ্ট্ৰীয় বজাৰত আমাৰ লিচুৰ যিমান দ্ৰুতগতিত প্ৰসাৰ ঘটিব লাগিছিল, সেয়া এতিয়াও আশানুৰূপ হোৱা নাই। বৰ্তমানৰ এই লেহেমীয়া গতিৰ আঁৰৰ প্ৰধান কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে যোগান শৃংখলৰ বিসংগতি, আধুনিক আৰু বিজ্ঞানসন্মত কৃষিকাৰ্যৰ অভাৱ, পৰ্যাপ্ত শীতলীকৰণ কেন্দ্ৰৰ নাটনি আৰু শস্য চপোৱাৰ পাছৰ আন্তঃগাঁথনিৰ দুৰ্বলতাৰ দৰে সমস্যাবোৰেই ইয়াৰ মূল প্ৰতিবন্ধক। এক আন্তঃৰাষ্ট্ৰীয় ব্ৰেণ্ড হিচাপে বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ হ'লে ভৌগোলিক সূচক থকা সামগ্ৰী এটাই অত্যন্ত কঠোৰ গুণগত মান বজাই ৰাখিব লগা হয়। বাস্তৱিক ক্ষেত্ৰখন পৰ্যবেক্ষণ কৰিলে দেখা যায় যে তেজপুৰৰ সৰহসংখ্যক লিচু খেতিয়ক এতিয়াও ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত। তেওঁলোকে পৰম্পৰাগত পদ্ধতিৰে খেতি কৰে আৰু বিশ্ব বজাৰৰ মান, বিশেষকৈ 'Global GAP' সম্পৰ্কে তেওঁলোকৰ সম্যক জ্ঞান তেনেই সীমিত। আন্তঃৰাষ্ট্ৰীয় বজাৰত ৰপ্তানি কৰিবলৈ হ'লে ফলমূলত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ আৰু কীটনাশকৰ মাত্ৰা নিৰ্দিষ্ট নিয়মাৱলীৰ অধীনত থকাটো বাধ্যতামূলক। ইউৰোপ বা আমেৰিকাৰ দৰে উন্নত বজাৰসমূহত ফাইট'ছেনিটেৰী নিয়মসমূহ অত্যন্ত কঠোৰ আৰু ইয়াত সাধাৰণ বিচ্যুতি ঘটিলেও সমগ্ৰ সামগ্ৰী ঘূৰাই পঠিওৱা হয়।

ইয়াৰ উপৰি লিচু হৈছে অতি সোনকালে নষ্ট হোৱা এবিধ ফল। গছৰ পৰা ছিগাৰ মাত্ৰ কেইটামান দিনৰ ভিতৰতে ইয়াৰ সজীৱতা, প্ৰাকৃতিক ৰং আৰু সোৱাদ হেৰাই যাবলৈ ধৰে। সেয়েহে উন্নত মানৰ পেকেজিং, শস্য চপোৱাৰ লগে লগে প্ৰি-কুলিং কৰাৰ সুবিধা আৰু দ্ৰুত কাৰ্গ' পৰিবহণ ব্যৱস্থা আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ বাবে অপৰিহাৰ্য অংগ। গৱেষণাপত্ৰসমূহত উল্লেখ কৰা অনুসৰি সৰু খেতিয়কসকলে প্ৰায়ে বজাৰৰ মধ্যভোগীৰ জৰিয়তে নিজৰ সামগ্ৰী বিক্ৰী কৰিবলগীয়া হয়, যাৰ ফলত তেওঁলোকে উচিত মূল্যৰ পৰা বঞ্চিত হোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাৰ সৈতে পোনপটীয়া সম্পৰ্ক স্থাপন কৰিব নোৱাৰে। এই গুৰুতৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ খেতিয়কসকলক 'কৃষক উৎপাদক গোট'ৰ অধীনত একত্ৰিত কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা। একত্ৰীকৰণৰ জৰিয়তে তেওঁলোকে বৃহৎ পৰিমাণৰ উৎপাদন কৰিব পাৰিব, সামূহিকভাৱে আন্তঃগাঁথনি নিৰ্মাণ কৰিব পাৰিব আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাৰ সৈতে সহজে দৰ-দাম কৰি লাভান্বিত হ'ব পাৰিব। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেৱল সতেজ ফল ৰপ্তানি কৰাতেই সীমাবদ্ধ নাথাকে। বিশ্বৰ বজাৰত স্থান দখল কৰিবলৈ হ'লে সামগ্ৰীবিধৰ বহুমুখী ব্যৱহাৰ আৰু মূল্য সংযোজনৰ ওপৰত গুৰুত্ব দিয়াটো বাঞ্ছনীয়। যেতিয়া কেঁচা লিচুৰ উৎপাদনৰ বতৰত বজাৰত যোগান অস্বাভাৱিকভাৱে বৃদ্ধি পায় আৰু কৃষকসকলে কম মূল্যত ফল বিক্ৰী কৰিবলৈ বাধ্য হয়, তেতিয়া এই প্ৰক্ৰিয়াকৰণ উদ্যোগসমূহে কৃষকসকলক লোকচানৰ পৰা ৰক্ষা কৰিব পাৰে। উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰস্তুত কৰা

■ নৱম পৃষ্ঠাত






# চাইবাৰ অপৰাধ

## প্ৰযুক্তিৰ অন্ধকাৰ দিশ আৰু আমাৰ কৰণীয়

নলিনী ৰঞ্জন ভূঞা

বৰ্তমান যুগটো তথ্য-প্ৰযুক্তিৰ যুগ। ৰাতিপুৱাৰ বাতৰি কাকতখন পঢ়াৰ পৰা আৰম্ভ কৰি নিশাৰ শোৱা পাটিত পৰালৈকে প্ৰতিটো মুহূৰ্ততে আমি ম'বাইল, কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ সৰ্বব্যাপী প্ৰভাৱ অনুভৱ কৰো। অনলাইন বেংকিং, চৰকাৰী আঁচনিৰ পঞ্জীয়ন, ছাত্ৰ-ছাত্ৰীৰ শিক্ষা, ৰে'ল বা বিমানৰ টিকট সংগ্ৰহ, আনকি ঘৰুৱা বজাৰ-সমাৰ পৰ্যন্ত জীৱনৰ প্ৰতিটো কাম এতিয়া এটা বুটামৰ স্পৰ্শতে সম্ভৱ হৈ পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ এই অভূতপূৰ্ব গতিশীলতাই মানুহৰ সময় আৰু শাৰীৰিক পৰিশ্ৰম বহুখিনি লাঘৱ কৰি জীৱনটো সহজ আৰু সুবিধাজনক কৰি তুলিছে ঠিকেই; কিন্তু ইয়াৰ সমান্তৰালভাৱে ই মানৱ সমাজলৈ কঢ়িয়াই আনিছে এক ভয়াৱহ, অদৃশ্য আৰু অত্যন্ত জটিল সংকট। এই সংকটটোকে আধুনিক আইন আৰু প্ৰযুক্তিৰ ভাষাত চাইবাৰ অপৰাধ (Cybercrime) বুলি জনা যায়।

অতি পৰিতাপৰ কথা যে, যি দ্ৰুত হাৰত আমাৰ সমাজখন ডিজিটেল ব্যৱস্থাৰ সৈতে সাঙোৰ খাই পৰিছে, সেই একে অনুপাতে জনসাধাৰণৰ মাজত ইয়াৰ সুৰক্ষা সম্পৰ্কীয় সজাগতা গঢ়ি উঠা নাই। কম্পিউটাৰ, ম'বাইল আৰু ইণ্টাৰনেটৰ সহায়ত ডিজিটেল মাধ্যম ব্যৱহাৰ কৰি কৰা সকলো অবৈধ বা অপৰাধমূলক কাৰ্যই ইয়াৰ আওতাত পৰে। ইণ্টাৰনেট ব্যৱহাৰৰ প্ৰাথমিক নিয়ম আৰু সুৰক্ষা কৱচৰ বিষয়ে থকা ব্যাপক অজ্ঞতাৰ সুযোগ গ্ৰহণ কৰিয়েই চাইবাৰ অপৰাধীসকলে নিত্য নতুন কৌশল অৱলম্বন কৰি সাধাৰণ লোকক প্ৰৱঞ্চনাৰ জালত পেলাই আহিছে। ভুৱা ফোনকল, ফিছিং লিংক, ভুৱা ৱেবছাইট, অ'টিপি প্ৰৱঞ্চনা, সামাজিক মাধ্যমৰ জৰিয়তে ঠগবাজি, বেংক একাউণ্ট হেকিং আৰু ব্যক্তিগত তথ্য চুৰি আদি ঘটনা দিনক দিনে বৃদ্ধি পাইছে। বৰ্তমান সময়ত এই সমস্যাই কেৱল ব্যক্তিগত ধন হেৰুওৱাতে ক্ষান্ত থকা নাই, বৰঞ্চ ই সমাজৰ সৰল-নিৰীহ জনতাৰ মানসিক স্থিৰতা, সামাজিক মৰ্যাদা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতিও এক প্ৰচণ্ড ভাবুকি হিচাপে থিয় দিছে।



আইনী আৰু কাৰিকৰী দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে দেখা যায় যে, যিবোৰ বেআইনী কাৰ্যকলাপত কম্পিউটাৰ বা অন্য কোনো বৈদ্যুতিন সঁজুলিক অপৰাধ সংঘটনৰ মূল আহিলা অথবা লক্ষ্য হিচাপে ব্যৱহাৰ কৰা হয়, সেই সকলো কাৰ্যই চাইবাৰ অপৰাধৰ আওতাত পৰে। পূৰ্বতে এই অপৰাধসমূহ কেৱল ডাঙৰ ডাঙৰ প্ৰতিষ্ঠানৰ ডাটা বা তথ্য চুৰি কৰা, ব্যৱস্থা অচল কৰা আদি কাৰ্যতে সীমাবদ্ধ আছিল। কিন্তু বৰ্তমান সময়ত ম'বাইল বেংকিং আৰু সামাজিক মাধ্যমৰ সৰ্বব্যাপী প্ৰসাৰৰ ফলত এই অপৰাধৰ লক্ষ্য এতিয়া সাধাৰণ জনতালৈ পৰিৱৰ্তিত হৈছে। এই অপৰাধৰ আটাইতকৈ ভয়ংকৰ দিশটো হ'ল ইয়াৰ কোনো নিৰ্দিষ্ট ভৌগোলিক বা ৰাজনৈতিক পৰিসীমা নাথাকে। পৃথিৱীৰ যিকোনো এটা কোণত বহি থকা এজন অপৰাধীয়ে কোনো শাৰীৰিক উপস্থিতি নোহোৱাকৈয়ে মুহূৰ্তৰ ভিতৰতে হাজাৰ হাজাৰ কিলোমিটাৰ দূৰত থকা আন এজন ব্যক্তিক সৰ্বস্বান্ত কৰিব পাৰে। এই অদৃশ্য শত্ৰুৰ বিৰুদ্ধে যুঁজ দিয়াটো সাধাৰণ মানুহৰ বাবে অতি কঠিন, কিয়নো ইয়াত অপৰাধীৰ মুখমণ্ডল বা বাস্তৱ পৰিচয় সম্পূৰ্ণৰূপে গোপন হৈ থাকে। প্ৰযুক্তিৰ ক্ৰমবিকাশৰ লগে লগে এই অপৰাধী চক্ৰবোৰেও নিজৰ কৌশলসমূহ সলনি কৰি গৈছে, যাৰ ফলত পুৰণি সুৰক্ষা ব্যৱস্থাসমূহ বহু সময়ত অকাৰ্যকৰী হৈ পৰিছে।

আজিকালি বেংকৰ দীঘলীয়া শাৰীত থিয় হোৱাৰ পৰিৱৰ্তে মানুহে ম'বাইল এপ্লিকেচনৰ জৰিয়তে পইচা পঠিওৱা ব্যৱস্থাটোহে পছন্দ কৰে। কিন্তু এই সুবিধাজনক ব্যৱস্থাটোৱেই বৰ্তমান বিত্তীয় প্ৰতাৰণাৰ এক আটাইতকৈ ডাঙৰ ফান্দত পৰিণত হৈছে। অপৰাধীসকলে সাধাৰণতে গ্ৰাহকসকলক প্ৰতাৰণা কৰিবলৈ মূলতঃ কেইটামান বিশেষ পদ্ধতি ব্যৱহাৰ কৰে, যাৰ ভিতৰত পৰিচয় প্ৰতাৰণা বা ফিছিং অন্যতম। ইয়াত অপৰাধীয়ে কোনো বেংকৰ বিষয়া বা কৰ্মচাৰীৰ ভুৱা পৰিচয় দি গ্ৰাহকলৈ ফোন কৰে বা ই-মেইল পঠিয়ায়। তেওঁলোকে গ্ৰাহকৰ মনত ভয়ৰ সৃষ্টি কৰিব পৰাকৈ কয় যে, আপোনাৰ বেংক একাউণ্টটো বন্ধ হ'বলৈ গৈ আছে বা এটিএম কাৰ্ডখন বাতিল হৈছে। এই ভয়ৰ বশৱৰ্তী হৈ সৰলমনা গ্ৰাহকে নিজৰ একাউণ্টৰ নম্বৰ, গোপন পিন আৰু ম'বাইললৈ অহা এককালীন সুৰক্ষা সংকেত অ'টিপি অপৰাধীক দি দিয়ে। ইয়াৰ সমান্তৰালভাৱে বৰ্তমান ম'বাইলত ক্ষিপ্ৰতাৰে ঋণ প্ৰদান কৰা বহুতো বেআইনী এপ্লিকেচন সক্ৰিয় হৈ উঠিছে। কোনো নথি-পত্ৰ অবিহনে অতি সহজে ঋণ দিয়াৰ প্ৰলোভনেৰে এই এপ্লিকেচনবোৰে গ্ৰাহকৰ ম'বাইলত থকা সকলো ব্যক্তিগত তথ্য, যেনে- ফোনবুক, ফটো গেলাৰী আদি নিজৰ নিয়ন্ত্ৰণলৈ নিয়ে। পৰৱৰ্তী সময়ত অতি উচ্চ হাৰত সুত দাবী কৰি গ্ৰাহকক মানসিকভাৱে নিৰ্যাতন চলোৱা হয় আৰু সংগ্ৰহ কৰা ব্যক্তিগত ছবিসমূহ বিকৃত কৰি সামাজিক মাধ্যমত বিয়পাই দিয়াৰ ভয় দেখুৱাই ধাৰাবাহিকভাৱে ধন দাবী কৰা হয়। ইয়াৰ উপৰি কোনো ধৰণৰ প্ৰতিযোগিতাত ভাগ নলৈও কোটি টকাৰ লটাৰী জিকাৰ বা নামী প্ৰতিষ্ঠানৰ দামী গাড়ী উপহাৰ পোৱাৰ ভুৱা বাৰ্তা ম'বাইললৈ প্ৰেৰণ কৰিও প্ৰৱঞ্চনা চলোৱা হয়। সেই উপহাৰ লাভ কৰাৰ নামত প্ৰাথমিক পঞ্জীয়ন মাচুল বা চৰকাৰী কৰ পৰিশোধ কৰিবলৈ কৈ বিভিন্ন ভুৱা একাউণ্টত লাখ লাখ টকা জমা কৰাই সৰল জনতাক সৰ্বস্বান্ত কৰা হয়।

বৰ্তমান সময়ত চাইবাৰ অপৰাধীৰ আটাইতকৈ ভয়াৱহ আৰু নতুন কৌশলটো হৈছে 'ডিজিটেল গ্ৰেপ্তাৰ'। ইয়াত প্ৰতাৰক চক্ৰই চিবিআই, ক্ৰাইম ব্ৰাঞ্চ, নাৰ্কোটিক্স বিভাগ বা কাষ্টমছ বিষয়াৰ ভুৱা পৰিচয় দি স্কাইপ বা হোৱাটছএপ ভিডিঅ' কলৰ জৰিয়তে সৰল লোকসকলক যোগাযোগ কৰে। তেওঁলোকে ভুৱা গোচৰ বা অবৈধ সামগ্ৰী সৰবৰাহৰ মিছা অভিযোগ তুলি ভুক্তভোগীক আইনী ব্যৱস্থাৰ ভয় দেখুৱায় আৰু কেইবাদিনো ধৰি কেমেৰাৰ সন্মুখতে আৱদ্ধ বা গৃহবন্দী কৰি ৰাখে। লোকলজ্জা আৰু কাৰাগাৰলৈ যোৱাৰ ভয়ত ভীত-সন্ত্ৰস্ত হৈ পৰা ব্যক্তিয়ে নিজকে মুক্ত কৰাৰ বাবে প্ৰতাৰকৰ বেংক একাউণ্টলৈ নিজৰ জীৱনৰ সমগ্ৰ সঞ্চিত ধন স্থানান্তৰ ■ ১০ পৃষ্ঠাত

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

## তেজপুৰৰ লিচু আৰু

লিচুৰ ৰস, জাম, স্কোৱাচ আৰু ৱাইনৰ বিশ্বৰ বজাৰত যথেষ্ট চাহিদা আছে। সঠিক গৱেষণা আৰু চৰকাৰী সাহায্যৰ জৰিয়তে অসমত এনে অত্যাধুনিক প্ৰক্ৰিয়াকৰণ উদ্যোগ স্থাপন কৰিব পাৰিলে তেজপুৰৰ লিচুৱে কেৱল এবিধ সাধাৰণ ফল হিচাপেই নহয়, বৰঞ্চ এক বহুমূলীয়া আৰু বিলাসী খাদ্য-সামগ্ৰী হিচাপে বিশ্বৰ বজাৰ দখল কৰিব পাৰিব।

আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ত তেজপুৰৰ লিচুৰ আধিপত্য বিস্তাৰ কৰিবলৈ আমি এক সুপৰিকল্পিত, বিজ্ঞানসন্মত আৰু বহুমাত্ৰিক ৰণনীতি গ্ৰহণ কৰিব লাগিব। প্ৰথম অৱস্থাত, আন্তঃগাঁথনিৰ সামগ্ৰিক উন্নয়ন আৰু যোগান শৃংখলৰ আধুনিকীকৰণৰ প্ৰতি চৰকাৰ আৰু ব্যক্তিগত খণ্ডই যুটীয়াভাৱে মনোনিৱেশ কৰিব লাগিব। কৃষিক্ষেত্ৰৰ পৰা আৰম্ভ কৰি বিমান বন্দৰ বা বন্দৰলৈকে এক নিৰৱচ্ছিন্ন যোগান শৃংখল গঢ়ি তোলাটো অত্যন্ত প্ৰয়োজনীয়। তেজপুৰৰ দৰে মূল উৎপাদনস্থলীৰ আশে-পাশে অত্যাধুনিক শীতলীকৰণ কেন্দ্ৰ, বিশ্বমানৰ পেকেজিঙৰ সুবিধা আৰু শীত-তাপ নিয়ন্ত্ৰিত কাৰ্গ' পৰিবহণৰ সুব্যৱস্থা গঢ়ি তুলিব পাৰিলে ফলৰ অপচয় ৰোধ হোৱাৰ লগতে ৰপ্তানিৰ গতি বহু পৰিমাণে বৃদ্ধি পাব।

দ্বিতীয়তে, ব্ৰেণ্ডিং আৰু মাৰ্কেটিং প্ৰসাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। কেৱল ভৌগোলিক সূচক বা GI টেগ থকাটোৱেই যথেষ্ট নহয়; ইয়াক এক শক্তিশালী মাৰ্কেটিং সঁজুলি হিচাপে ব্যৱহাৰ কৰিব জানিব লাগিব। তেজপুৰৰ লিচুৰ চহকী ইতিহাস, ইয়াৰ জৈৱিক গুণাগুণ আৰু স্বাস্থ্যসন্মত উপকাৰিতাৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যম আৰু ডিজিটেল প্লেটফৰ্মত এক আকৰ্ষণীয় ৰূপত প্ৰচাৰ চলাব লাগিব। আন্তঃৰাষ্ট্ৰীয় খাদ্য মেলাসমূহত অংশগ্ৰহণ আৰু বিদেশী ক্ৰেতাসকলৰ সৈতে নিয়মীয়াকৈ 'ক্ৰেতা-বিক্ৰেতা সন্মিলন' আয়োজন কৰাটোৱে বজাৰ সম্প্ৰসাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ সমান্তৰালভাৱে কৃষকৰ সজাগতা আৰু প্ৰশিক্ষণ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া হ'ব লাগিব। কৃষকসকলক উন্নত কৃষি পদ্ধতি, শস্য চপোৱাৰ সঠিক বিজ্ঞানসন্মত সময়, ৰাসায়নিক পদাৰ্থৰ নিয়ন্ত্ৰিত ব্যৱহাৰ আৰু পেকেজিঙৰ আধুনিক প্ৰযুক্তিৰ বিষয়ে নিয়মীয়াকৈ হাতে-কামে প্ৰশিক্ষণ দিব লাগিব। ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু ৰাষ্ট্ৰীয় লিচু গৱেষণা কেন্দ্ৰৰ দৰে প্ৰতিষ্ঠানসমূহৰ লগত কৃষকৰ পোনপটীয়া সম্পৰ্ক স্থাপন কৰি ভিয়েটনামৰ দৰে দেশৰ আৰ্হিত আমাৰ ইয়াতেও নতুন কৃষি পদ্ধতি প্ৰয়োগ কৰাৰ প্ৰয়োজনীয়তা আছে। শেষত আন্তঃৰাষ্ট্ৰীয় বজাৰত সফলতাৰে প্ৰতিযোগিতা কৰিবলৈ ৰপ্তানিকাৰীসকলক চৰকাৰে পৰ্যাপ্ত ৰাজসাহায্য আৰু সহজ চৰ্তত ঋণ প্ৰদান কৰিব লাগিব। 'এপেডা' (APEDA)ৰ দৰে সংস্থাসমূহে ৰপ্তানি প্ৰক্ৰিয়া সহজলভ্য আৰু বাধামুক্ত কৰাৰ বাবে অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লাগিব।

অৱশেষত এই কথা অনস্বীকাৰ্য যে তেজপুৰৰ লিচু অসমৰ কেৱল এবিধ কৃষিজাত সামগ্ৰী নহয়, ই আমাৰ ইতিহাস, সংস্কৃতি আৰু ভৌগোলিক স্বকীয়তাৰ এক জীৱন্ত প্ৰতীক। ২০২৬ চনৰ লিচু মহোৎসৱ আৰু ডুবাই তথা ছিংগাপুৰলৈ হোৱা শেহতীয়া ৰপ্তানি প্ৰক্ৰিয়াই এই কথা পুনৰবাৰ প্ৰমাণ কৰিছে যে আমাৰ কৃষকসকলৰ উৎপাদন বিশ্বৰ যিকোনো প্ৰান্তৰ মানৰ সৈতে ফেৰ মাৰিব পৰাকৈ সক্ষম। কিন্তু এই ৰপ্তানিৰ যাত্ৰা এতিয়াও প্ৰাৰম্ভিক পৰ্যায়তেই আছে আৰু ইয়াক এক স্থায়ী উদ্যোগলৈ ৰূপান্তৰিত কৰিবলৈ এতিয়াও বহু পথ অতিক্ৰম কৰিবলগীয়া আছে। স্থানীয় খেতিয়কৰ হাড়ভগা পৰিশ্ৰমক আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ সুফললৈ ৰূপান্তৰিত কৰিবলৈ চৰকাৰ, ব্যক্তিগত খণ্ডৰ উদ্যোগী, কৃষি গৱেষক আৰু কৃষক সমাজৰ সন্মিলিত আৰু একাগ্ৰ প্ৰচেষ্টাৰ প্ৰয়োজন। যেতিয়া পৰম্পৰাগত জ্ঞানৰ সৈতে বিজ্ঞানসন্মত পদ্ধতি, আধুনিক প্ৰযুক্তি, বলিষ্ঠ যোগান শৃংখল আৰু সঠিক বজাৰ ব্যৱস্থাপনাৰ সুন্দৰ সংমিশ্ৰণ ঘটিব, তেতিয়াহে 'তেজপুৰৰ লিচু' বিশ্বৰ বজাৰত এক অজেয় আৰু সৰ্বজন সমাদৃত ব্ৰেণ্ড হিচাপে পৰিগণিত হ'ব। ভৱিষ্যতৰ সেই সোণালী দিনটোৰ বাবে আজিৰ পৰাই আমি সকলোৱে মিলি এক সুদৃঢ় ভেটি নিৰ্মাণৰ কাম আৰম্ভ কৰিব লাগিব। ই কেৱল শোণিতপুৰ জিলাৰে নহয়, সমগ্ৰ অসমৰ কৃষি অৰ্থনীতিক এক নতুন উচ্চতালৈ লৈ যোৱাৰ দিশত এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

## শিশুৰ চৰিত্ৰ গঠনত নৈতিক শিক্ষা আৰু দেশপ্ৰেমৰ

তাৰ প্ৰতিৰোধৰ বাবে আমাৰ সাংস্কৃতিক কৰ্মীসকলে নিজৰ সৃষ্টিৰ মাজেৰে ইতিবাচক বাৰ্তা প্ৰেৰণ কৰা অতি প্ৰয়োজনীয়। শিল্পকলাক কেৱল বিনোদনৰ আহিলা হিচাপে ব্যৱহাৰ

নকৰি, তাক এক সুস্থ সমাজ গঢ়াৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগিব। যেতিয়া শিশুৱে দেখে যে তেওঁৰ আদৰ্শ ব্যক্তিজনৰ জীৱনত সততা আৰু দেশপ্ৰেমৰ অটল বিশ্বাস আছে, তেতিয়া তেওঁৰ মনতো সেই গুণবোৰ স্বাভাৱিকভাৱে গঢ় লৈ উঠে। বৌদ্ধিক নেতৃত্বৰ দায়িত্ব সমাজক আন্ধাৰৰ পৰা পোহৰৰ দিশলৈ লৈ যোৱা; কিন্তু তাৰ বাবে প্ৰথমে সেই নেতাসকলে নিজৰ মনক নিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগিব।

ৰাজনৈতিক নেতৃত্বৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ নিজৰ কামৰ প্ৰতি নিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা। যেতিয়া এগৰাকী ৰাজনৈতিক নেতা আদৰ্শৰ পৰা আঁতৰি কেৱল স্বাৰ্থৰ পিছত দৌৰে, তেতিয়া নতুন প্ৰজন্মৰ চকুতো দেশপ্ৰেমৰ ধাৰণাটো অস্পষ্ট হৈ পৰে। নেতৃত্বস্থানীয় লোকসকলে নিজৰ ব্যক্তিগত জীৱনৰ শুদ্ধাচাৰৰ জৰিয়তে শিশুসকলক অনুপ্ৰাণিত কৰা উচিত। ৰাজনৈতিক মঞ্চৰ পৰা প্ৰদৰ্শিত ভাষা আৰু আচৰণ আজিৰ শিশুৰ বাবে এক প্ৰত্যক্ষ শিক্ষণৰ উৎস। সেয়েহে, তেওঁলোকৰ কথাত যদি বিনয়, সততা আৰু দেশৰ প্ৰতি থকা দায়বদ্ধতা প্ৰতিফলিত হয়, তেন্তে শিশুসকলৰ মাজত দেশপ্ৰেমৰ ভাৱনা সুদৃঢ় হ'ব। আমি এনে এখন সমাজ আশা কৰোঁ য'ত শিশুসকলৰ বাবে পথ প্ৰদৰ্শক হ'ব তেওঁলোকৰ আদৰ্শৰ ব্যক্তি।

শৈক্ষিক নেতৃত্বৰ ক্ষেত্ৰত অৱশ্যে অধিক সাৱধানতা অৱলম্বন কৰা উচিত। কেৱল পৰীক্ষাৰ ফলাফলত ভাল কৰাটোৱেই সফলতা নহয়, মানৱীয় মূল্যবোধৰ ক্ষেত্ৰত শ্ৰেষ্ঠতা অৰ্জন কৰাটোহে মূল কথা। আমাৰ শৈক্ষিক পৰিকাঠামোত যদি নৈতিক শিক্ষাৰ লগতে দেশপ্ৰেমৰ চৰ্চা নাথাকে, তেন্তে ভৱিষ্যতৰ প্ৰজন্মক কেনেকৈ উন্নত নাগৰিক কৰি তুলিব পাৰিম? বৌদ্ধিক নেতৃত্বই সদায় সমাজৰ চিন্তাশীল দিশটোক প্ৰতিনিধিত্ব কৰে। তেওঁলোকে শিশুৰ মনত কৌতূহলৰ লগতে সুস্থ চিন্তা-ধাৰাৰ বীজ সিঁচিব লাগে। কোনো এক উগ্ৰবাদ বা বিভেদকামী চিন্তাই যাতে শিশুৰ কোমল মনক কলুষিত কৰিব নোৱাৰে, তাৰ প্ৰতি সদা সচেতন থাকিব লাগে।

অৱশেষত ক'ব পাৰি যে, সমাজৰ নেতৃত্বত থকা ব্যক্তিসকল যদি একনিষ্ঠ আৰু নৈতিকভাৱে দৃঢ় হয়, তেন্তে কোনো শক্তিয়ে শিশুৰ মনৰ পৰা মূল্যবোধক আঁতৰাব নোৱাৰে। আমি প্ৰতিগৰাকী শিশুৰ কাষত এনে এক বাতাবৰণ গঢ়ি তুলিব লাগিব য'ত তেওঁলোকে নিজৰ চৰিত্ৰ গঠনৰ সঠিক দিশ লাভ কৰিব। ইয়াৰ বাবে আমাৰ সাংস্কৃতিক, শৈক্ষিক আৰু ৰাজনৈতিক নেতাসকলে নিজৰ দায়বদ্ধতা পুনৰ বিবেচনা কৰিব লাগিব। নেতৃত্ব মানে কেৱল আদেশ দিয়া নহয়, নেতৃত্ব মানে পথ প্ৰদৰ্শন কৰা। আমি আমাৰ অনাগত দিনৰ উত্তৰসূৰীসকলক এনে এটা ভেটি দি থৈ যাব লাগে, য'ত তেওঁলোকে গৰ্বেৰে ক'ব পাৰে যে আমাৰ সমাজত নৈতিকতা আৰু দেশপ্ৰেম কেৱল শব্দ নহয়, সেয়া জীৱনৰ অংগ। আমাৰ সংস্কৃতিৰ মূল ভেটিটো মানৱতা আৰু প্ৰেম। এই ভেটিটো শক্তিশালী কৰিলেহে আমাৰ দেশৰ অনাগত ভৱিষ্যত সুৰক্ষিত হ'ব। এই ক্ষেত্ৰত প্ৰত্যেক সচেতন নাগৰিকৰ অৰিহণা অপৰিসীম।

আমি বৰ্তমান এনে এক জটিল সন্ধিক্ষণত থিয় হৈ আছো, য'ত প্ৰযুক্তিৰ দ্ৰুত গতিয়ে সমাজৰ নৈতিক গাঁথনিটোক প্ৰত্যাহ্বান জনাইছে। একবিংশ শতিকাৰ শিশুসকলৰ সৈতে আমি যিধৰণৰ মূল্যবোধৰ যুঁজত অৱতীৰ্ণ হৈছো, তাত জয়লাভ কৰিবলৈ কেৱল পুৰণি পদ্ধতি যথেষ্ট নহ'ব। আধুনিক প্ৰযুক্তি আৰু ইণ্টাৰনেটৰ দ্ৰুত প্ৰসাৰৰ ফলত শিশুসকলে পৃথিৱীৰ যিকোনো প্ৰান্তৰ তথ্য পলকতে লাভ কৰিবলৈ সক্ষম হৈছে। এই তথ্যৰ ধলৰ মাজত কি শুদ্ধ আৰু কি ভুল, সেই বিষয়ে সিদ্ধান্ত লোৱাৰ ক্ষমতা আমি তেওঁলোকৰ হাতত তুলি দিব লাগিব। আমি তেওঁলোকক এনে এক মানসিক প্ৰতিৰক্ষা প্ৰদান কৰিব লাগিব যাতে যিকোনো ধৰণৰ নৈতিক বিচ্যুতিয়ে তেওঁলোকৰ কোমল মনক প্ৰভাৱিত কৰিব নোৱাৰে। বিবেক একমাত্ৰ অমোঘ প্ৰতিৰক্ষা, যিটো তেওঁলোকৰ জীৱনৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ হ'ব।

ভৱিষ্যতৰ দিশে আগবাঢ়িবলৈ এক ব্যাপক সামাজিক আন্দোলনৰ প্ৰয়োজন। কেৱল বিদ্যালয় বা ঘৰৰ চাৰি বেৰৰ ভিতৰত নৈতিকতাৰ কথা সীমিত ৰাখিলে নহ'ব। সমাজৰ প্ৰতিটো স্তৰতে শিশুৰ বাবে এক সুৰক্ষিত আৰু আদৰ্শ পৰিৱেশ গঢ়িব লাগিব। আজিৰ শিশুৱে কালিলৈ দেশৰ দায়িত্ব ল'ব। যদি আমি তেওঁলোকৰ মাজত দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ প্ৰতিষ্ঠা কৰিব নোৱাৰো, তেন্তে তেওঁলোকৰ ভৱিষ্যতৰ হাতত দেশখন কিমান সুৰক্ষিত হ'ব, সেয়া এক ডাঙৰ প্ৰশ্ন। দেশপ্ৰেম মানে কেৱল সীমান্তৰ সুৰক্ষাই নহয়, তাৰ সমান্তৰালকৈ সমাজৰ ভেটি কঁপোৱা অশুভ শক্তিৰ বিৰুদ্ধে থিয় দিয়াৰ আপোচবিহীন সাহস। আজিৰ শিশুক শিকাব লাগিব যে অসততাৰ বিৰুদ্ধে মাত মতাটোৱেই আটাইতকৈ ডাঙৰ দেশপ্ৰেম। এই সাহসৰ বীজ শিশুকালৰ পৰাই সিঁচিব লাগিব।

আমাৰ শিক্ষানুষ্ঠানসমূহত নৈতিক শিক্ষাৰ বাবে বিশেষ পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা আছে, য'ত কোনো পৰীক্ষাৰ চাপ নাথাকিব, কেৱল থাকিব চৰ্চা আৰু গভীৰ আলোচনা। বিভিন্ন মহাপুৰুষৰ জীৱনী, সফল ব্যক্তিৰ সংগ্ৰামৰ কাহিনী আৰু সমাজৰ বাবে অৰিহণা আগবঢ়োৱা ব্যক্তিৰ আদৰ্শই শিশুক অনুপ্ৰাণিত কৰিব। লগতে, আমি শিশুৰ মাজত সৃজনশীল প্ৰতিভাৰ বিকাশ ঘটিব পৰা সুযোগ প্ৰদান কৰিব লাগিব। যি শিশুৱে চিত্ৰকলা, সংগীত বা ক্ৰীড়াৰ মাজেৰে নিজৰ আৱেগ প্ৰকাশ কৰিবলৈ শিকিব, তেওঁৰ মনত উশৃংখলতাৰ সুযোগ অতি কম থাকে। সৃজনশীল কামে মনক সততে সতেজ আৰু পবিত্ৰ কৰি ৰাখে। ভৱিষ্যতৰ বাবে আমি এনে এক প্ৰজন্ম সৃষ্টি কৰিব লাগিব, যি প্ৰযুক্তিৰ জ্ঞানত পাৰ্গত হোৱাৰ লগতে মানৱীয় গুণবোৰতো শ্ৰেষ্ঠ।

আজিৰ পৰাই এনে এক দায়বদ্ধতা গ্ৰহণ কৰিব লাগিব, য'ত প্ৰত্যেক অভিভাৱক আৰু শিক্ষকে নিজৰ নিজৰ কৰ্মত দায়বদ্ধ হৈ ৰ'ব। যদি আমি আমাৰ শিশুসকলক এক সুস্থ ভৱিষ্যত দিব বিচাৰো, তেন্তে আমাৰ নিজৰ জীৱনশৈলীৰ পৰিৱৰ্তন ঘটাব লাগিব। আমাৰ কথা আৰু কামৰ মাজত যাতে কোনো পাৰ্থক্য নাথাকে সেইটো লক্ষ্য ৰাখিব লাগিব। আমি যি আদৰ্শৰ কথা কওঁ, তাৰ প্ৰত্যক্ষ উদাহৰণ আমি নিজে হ'ব লাগিব। যদি বিচাৰোঁ যে আমাৰ শিশুসকলে পৰকীয়া প্ৰেম বা আন নৈতিক স্খলনৰ পৰা আঁতৰি থাকক, তেন্তে পৰিয়ালৰ মৰ্যাদা আৰু স্বামী-স্ত্ৰীৰ মাজৰ বিশ্বাসক প্ৰাধান্য দিব লাগিব। শিশুৱে ঘৰত কি দেখিছে, সেয়া ভৱিষ্যতৰ একমাত্ৰ মডেল। আমি আমাৰ ঘৰখনক প্ৰেম আৰু সততাৰ উৎস হিচাপে গঢ়ি তুলিব লাগিব।

এই যাত্ৰা দুৰ্গম হ'লেও আমি অকলশৰীয়া নহয়। আমাৰ পাথেয় হৈছে পৰম্পৰাৰ অমূল্য শিক্ষা, বিবেকৰ শুদ্ধ শক্তি আৰু অনাগত প্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি থকা আমাৰ পবিত্ৰ দায়বদ্ধতা। আমি যদি আজি এই সৰু কামখিনি কৰিবলৈ আৰম্ভ কৰো, তেন্তে অনাগত সময়ত আমাৰ দেশৰ শিশুসকলে বিশ্বৰ মঞ্চত গৌৰৱেৰে থিয় দিব পাৰিব। তেওঁলোকে তেতিয়া জ্ঞানৰ অধিকাৰী হোৱাৰ লগতে, তেওঁলোকে হ'ব প্ৰকৃত মানৱ সম্পদ। আজিৰ প্ৰতিটো শিশুক এনেদৰে গঢ়ি তোলোঁ যাতে তেওঁলোকে অনাগত দিনত সমাজৰ বাবে একোটা প্ৰদীপ হৈ জ্বলি উঠিব পাৰে। আমাৰ এই প্ৰয়াস সৰু হ'ব পাৰে; কিন্তু ইয়াৰ পৰিণতি অসীম। আহক, আমি সকলোৱে মিলি এক নতুন ভৱিষ্যতৰ সপোন দেখো আৰু সেই সপোনক বাস্তৱ কৰিবলৈ আজিৰ শিশুসকলৰ হাতত নৈতিকতা আৰু দেশপ্ৰেমৰ মশাল তুলি দিওঁ। এয়া আমাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ অৱদান।■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# চাইবাৰ অপৰাধ প্ৰযুক্তিৰ অন্ধকাৰ দিশ আৰু আমাৰ কৰণীয়

কৰিবলৈ বাধ্য হয়।

সামাজিক মাধ্যম বৰ্তমান আমাৰ ভাৱ-বিনিময়ৰ প্ৰধান মাধ্যম হ'লেও ইয়াৰ অন্ধকাৰ দিশটো অতি ভয়ংকৰ হৈ উঠিছে। বিশেষকৈ মহিলা আৰু যুৱ প্ৰজন্মক লক্ষ্য কৰি চলোৱা চাইবাৰ অপৰাধসমূহ দিনক দিনে বৃদ্ধি পাই আহিছে। বহু সময়ত কোনো এজন প্ৰতিষ্ঠিত বা সৰ্বসাধাৰণ ব্যক্তিৰ নাম, ছবি আৰু অন্যান্য তথ্য ব্যৱহাৰ কৰি হুবহু আন এটা ভুৱা একাউণ্ট খোলা হয়। ইয়াৰ পিছত সেই ভুৱা একাউণ্টটোৰ পৰা ব্যক্তিজনৰ বন্ধু-বান্ধৱী বা আত্মীয়সকললৈ জৰুৰী চিকিৎসা বা বিপদৰ মিছা দোহাই দি অতি কৌশলৰে টকা বিচাৰি বাৰ্তা পঠোৱা হয়। আত্মীয়সকলেও বিপদৰ সময় বুলি ভাবি কোনো সত্যতা নিৰূপণ নকৰাকৈয়ে টকা পঠিয়াই প্ৰতাৰিত হয়।

যুৱপ্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা অনলাইন গেমিং আৰু বেটিং (অনলাইন জুৱা) এপ্‌সমূহৰ আসক্তিয়েও চাইবাৰ অপৰাধৰ এক নতুন দুৱাৰ মুকলি কৰিছে। অতি কম সময়তে পইচা দুগুণ কৰাৰ প্ৰলোভন বা গেমৰ নতুন স্তৰত প্ৰৱেশ কৰাৰ নিচাত পৰি বহু কিশোৰ-কিশোৰীয়ে ঘৰৰ মানুহৰ অজ্ঞাতে পিতৃ-মাতৃৰ ক্ৰেডিট/ডেবিট কাৰ্ড বা ইউপিআই ব্যৱহাৰ কৰি লাখ লাখ টকা হেৰুৱাই পেলায়। ইয়াৰ ফলত সৃষ্টি হোৱা মানসিক চাপ আৰু আৰ্থিক ক্ষতিৰ বাবে কোমলমতীয়া ছাত্ৰ-ছাত্ৰীসকল তীব্ৰ অৱসাদৰ বলি হৈছে আৰু বহুতৰে শৈক্ষিক ভৱিষ্যত ধ্বংসৰ দিশলৈ গতি কৰিছে।'

একেদৰে মহিলা আৰু কিশোৰীসকলক লক্ষ্য কৰি চলোৱা উৎপীড়ন বৰ্তমান সময়ত এক ডাঙৰ সামাজিক ব্যাধিত পৰিণত হৈছে। সামাজিক মাধ্যমৰ পৰা ফটো সংগ্ৰহ কৰি আধুনিক প্ৰযুক্তিৰ সহায়ত সেইবোৰ বিকৃত কৰা হয় আৰু পৰৱৰ্তী সময়ত ধন দাবী কৰা বা কু-প্ৰস্তাৱ দিয়াৰ দৰে জঘন্য কাৰ্য সংঘটিত কৰা হয়। লোকলজ্জাৰ ভয়ত বহু ভুক্তভোগীয়ে এই বিষয়ে কাৰোৱে আগত মুখ খুলিব নোৱাৰে, যাৰ ফলত বহুতে মানসিক অৱসাদত ভুগি আত্মহত্যাৰ দৰে চৰম পথ বাছি ল'বলৈ বাধ্য হয়। কেৱল এয়াই নহয়, সামাজিক মাধ্যমসমূহ বৰ্তমান সময়ত সমাজত বিভেদ আৰু অশান্তি সৃষ্টি কৰাৰ এক সহজ আহিলা হৈ পৰিছে। কোনো এটা স্পৰ্শকাতৰ বা বিতৰ্কিত বিষয়ৰ সত্যতা পৰীক্ষা নকৰাকৈয়ে মানুহে খবৰবোৰ ইজনৰ পৰা সিজনলৈ প্ৰেৰণ কৰে, যাৰ ফলত সমাজত সাম্প্ৰদায়িক হিংসা, গোষ্ঠীগত সংঘাত আৰু আইনী শৃংখলা ভংগ হোৱাৰ দৰে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হয়।

প্ৰযুক্তিৰ ক্ৰমবিকাশৰ এই ধাৰাত বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তা বা আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ আগমনে চাইবাৰ অপৰাধক এক নতুন আৰু অধিক ভয়ংকৰ মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ ভিতৰত আটাইতকৈ উদ্বেগজনক বিষয়টো হৈছে ডিপফেক প্ৰযুক্তি। ডিপফেক (Deepfake) প্ৰযুক্তি হৈছে কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্ণিং ব্যৱহাৰ কৰি যিকোনো এজন ব্যক্তিৰ মুখমণ্ডল, কণ্ঠস্বৰ আৰু চলন-ফুৰন হুবহু নকল কৰি অতি সজীৱ ভুৱা ভিডিঅ' বা অডিঅ' ক্লিপ তৈয়াৰ কৰিব পৰা যায়। অপৰাধীসকলে বৰ্তমান সময়ত কোনো ব্যক্তিৰ আত্মীয়ৰ কণ্ঠস্বৰ নকল কৰি ফোন কৰে আৰু তেওঁলোক ডাঙৰ বিপদত পৰা বুলি কৈ জৰুৰীভাৱে ধন দাবী কৰে। নিজৰ সন্তান বা পৰিয়ালৰ সদস্যৰ কণ্ঠস্বৰ শুনি পিতৃ-মাতৃ বা আত্মীয়ই কোনো সন্দেহ নকৰাকৈ ধন পঠিয়াই দিয়ে। তদুপৰি, নামী-দামী ব্যক্তি, ৰাজনীতিবিদ বা সমাজসেৱীসকলৰ ভুৱা ভিডিঅ' বনাই তেওঁলোকৰ সামাজিক মৰ্যাদা হানি কৰা আৰু সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ বাবেও এই প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। এই নতুন প্ৰত্যাহ্বানে প্ৰমাণ কৰিছে যে কেৱল চকুৰে দেখা বা কাণেৰে শুনা কথাটোও বৰ্তমান যুগত এশ শতাংশ সত্য বুলি ধৰি ল'ব নোৱাৰি।

এই ডিপফেক আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ বৰ্তমান সময়ত 'তথ্য পৰীক্ষা' ব্যৱস্থাৰ প্ৰাসংগিকতা অতিকৈ বৃদ্ধি পাইছে। ইণ্টাৰনেট বা সামাজিক মাধ্যমত ভাইৰেল হোৱা কোনো সন্দেহজনক অডিঅ'-ভিডিঅ' বা স্পৰ্শকাতৰ বাৰ্তা অন্ধভাৱে বিশ্বাস কৰাৰ পৰিৱৰ্তে চৰকাৰীভাৱে স্বীকৃত বা নিৰ্ভৰযোগ্য ফেক্ট-চেক প্ৰতিষ্ঠানসমূহৰ (যেনে- পিআইবি ফেক্ট-চেক, অল্ট নিউজ আদি) সহায় ল'ব লাগে। আজিকালি গুগল আৰু বিভিন্ন ছাৰ্চ ইঞ্জিনত থকা 'ৰিভাৰ্চ ইমেজ ছাৰ্চ' বা এআই ডিটেক্টৰ সঁজুলি ব্যৱহাৰ কৰি যিকোনো ভুৱা আৰু বিকৃত তথ্যৰ সত্যতা অতি সহজে নিৰূপণ কৰিব পাৰি।

যদি আমি চাইবাৰ অপৰাধৰ অন্তৰ্নিহিত কাৰণসমূহ গভীৰভাৱে পৰ্যবেক্ষণ কৰোঁ, তেন্তে দেখা পাম যে অপৰাধীসকলে কোনো জটিল কম্পিউটাৰ কোডিঙতকৈ মানুহৰ মনস্তাত্ত্বিক দুৰ্বলতাসমূহকহে আটাইতকৈ ডাঙৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। মানুহৰ মনত থকা মূল তিনিটা আৱেগ- লোভ, ভয় আৰু অতিৰিক্ত বিশ্বাসক কেন্দ্ৰ কৰিয়েই চাইবাৰ অপৰাধৰ জালখন তৈয়াৰ কৰা হয়। অতি কম সময়ৰ ভিতৰত চহকী হোৱাৰ হেঁপাহ, সস্তাত দামী সামগ্ৰী পোৱাৰ প্ৰৱণতা বা লটাৰীৰ পইচা পোৱাৰ আশাই মানুহৰ স্বাভাৱিক বিচাৰ-বুদ্ধি লোপ কৰে। ঠিক তেনেদৰে বেংক একাউণ্ট বন্ধ হোৱাৰ ভয়, আৰক্ষী বা চৰকাৰী বিভাগৰ জাননী পোৱাৰ ভয় দেখুৱাই অপৰাধীয়ে মানুহক এনে এক জৰুৰী পৰিস্থিতিৰ মাজলৈ লৈ যায়, য'ত মানুহে চিন্তা কৰাৰ সময় নাপায় আৰু লগে লগে তেওঁলোকৰ নিৰ্দেশনা মানি চলে। ইয়াৰ উপৰি ইণ্টাৰনেটত দেখা প্ৰতিটো বস্তু বা প্ৰতিজন অচিনাকী ব্যক্তিক অতি সহজে বিশ্বাস কৰাৰ কু-অভ্যাসে সাধাৰণ জনতাক বিপদৰ মুখলৈ ঠেলি দিয়ে। অপৰিচিত ব্যক্তিৰ সৈতে ব্যক্তিগত জীৱনৰ গোপন কথা বা ছবি শ্বেয়াৰ কৰাৰ ফলতেই পৰৱৰ্তী সময়ত ব্লেকমেইলিঙৰ দৰে ঘটনা সংঘটিত হয়।

চাইবাৰ অপৰাধৰ পৰা হাত সাৰিবলৈ হ'লে প্ৰতিজন নাগৰিক নিজে সচেতন আৰু সুৰক্ষিত হোৱাটো অপৰিহাৰ্য। ইয়াৰ বাবে দৈনন্দিন জীৱনত কিছুমান গুৰুত্বপূৰ্ণ নিয়ম কঠোৰভাৱে মানি চলা উচিত। প্ৰথমতে, নিজৰ বেংক একাউণ্টৰ নম্বৰ, এটিএম কাৰ্ডৰ পিননম্বৰ, কাৰ্ডৰ পিছফালে থকা তিনিটা সংখ্যাৰ চিভিভি নম্বৰ আৰু ম'বাইললৈ অহা কোনো ধৰণৰ অটিপি কেতিয়াও, কোনো পৰিস্থিতিতে কাৰো সৈতে ভগাই ল'ব নালাগে। মনত ৰাখিব লাগিব যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিয়ম অনুসৰি কোনো বেংকে বা তাৰ কৰ্মচাৰীয়ে গ্ৰাহকৰ পৰা ফোন কৰি এইবোৰ গোপন তথ্য নিবিচাৰে। দ্বিতীয়তে, সামাজিক মাধ্যম, ই-মেইল আৰু বেংকিং একাউণ্টৰ বাবে সদায় একোটা জটিল গোপন সংকেত ব্যৱহাৰ কৰিব লাগে, য'ত ইংৰাজী ডাঙৰ আৰু সৰু আখৰ, সংখ্যা আৰু বিশেষ চিহ্নৰ মিশ্ৰণ থাকে। নিজৰ নাম বা ম'বাইল নম্বৰ কেতিয়াও পাছৱৰ্ড হিচাপে ব্যৱহাৰ নকৰি প্ৰতিটো একাউণ্টতে দ্বি-স্তৰীয় প্ৰমাণীকৰণ ব্যৱস্থাটো (Two Factor Authentication) বাধ্যতামূলকভাৱে সক্ৰিয় কৰি ৰাখিব লাগে। তেনেদৰে ম'বাইললৈ অহা অচিনাকী নম্বৰৰ বাৰ্তা বা ই-মেইলত থকা যিকোনো সন্দেহজনক লিংকত ক্লিক কৰাৰ পৰা বিৰত থাকিব লাগে, কিয়নো এই লিংকবোৰৰ ভিতৰত ক্ষতিকাৰক ভাইৰাছ বা মালৱেৰ লুকাই থাকে। ম'বাইলত যিকোনো এপ্লিকেচন ডাউনলোড কৰোঁতে সদায় চৰকাৰীভাৱে স্বীকৃত প্লে-ষ্ট'ৰ বা এপ-ষ্ট'ৰ ব্যৱহাৰ কৰিব লাগে আৰু এপ্লিকেচনটোৱে বিচৰা অনুমতিসমূহ ভালদৰে পঢ়ি চাইহে সন্মতি দিব লাগে। সামাজিক মাধ্যমত কোনো আত্মীয়ই টকা খুজি বাৰ্তা পঠিয়ালে লগে লগে পইচা নপঠিয়াই প্ৰথমে তেওঁক ফোন কৰি সত্যতা নিশ্চিত কৰা উচিত। লগতে ৰে'লৱে ষ্টেচন বা বজাৰত পোৱা বিনামূলীয়া বা ৰাজহুৱা ৱাই-ফাই নেটৱৰ্ক ব্যৱহাৰ কৰি কেতিয়াও বেংকৰ লেনদেন বা কোনো গুৰুত্বপূৰ্ণ একাউণ্ট লগ-ইন কৰিব নালাগে।

চাইবাৰ অপৰাধৰ দৰে এক গোলকীয় সমস্যাক কেৱল ব্যক্তিগত প্ৰচেষ্টাৰে সম্পূৰ্ণৰূপে নিৰ্মূল কৰাটো সম্ভৱ নহয়, ইয়াৰ বাবে সমাজৰ প্ৰতিটো স্তৰৰে সন্মিলিত অংশগ্ৰহণৰ প্ৰয়োজন। ভাৰত চৰকাৰে এনেধৰণৰ ডিজিটেল অপৰাধসমূহ ৰোধ কৰিবলৈ 'তথ্য-প্ৰযুক্তি আইন, ২০০০' প্ৰণয়ন কৰিছে, যাৰ অধীনত হেকিং, পৰিচয় প্ৰতাৰণা আৰু অশ্লীল সমল বিয়পোৱা কাৰ্যৰ বাবে কঠোৰ শাস্তিৰ ব্যৱস্থা আছে। ইয়াৰোপৰি, নাগৰিকৰ ব্যক্তিগত তথ্যৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ শেহতীয়াকৈ 'ডিজিটেল ব্যক্তিগত ডাটা সুৰক্ষা আইন, ২০২৩' কাৰ্যকৰী কৰা হৈছে। চৰকাৰে চাইবাৰ অপৰাধৰ বিৰুদ্ধে থকা এই আইনী ব্যৱস্থাসমূহ অধিক কঠোৰ আৰু সময়োপযোগী কৰিব লাগে। প্ৰতিখন জিলাতে সুকীয়া চাইবাৰ থানা স্থাপন কৰাৰ লগতে আৰক্ষী বাহিনীক আধুনিক কাৰিকৰী প্ৰশিক্ষণেৰে সশস্ত্ৰ কৰি তুলিব লাগে, যাতে অপৰাধীৰ সন্তেদ উলিয়াই তেওঁলোকক ক্ষিপ্ৰতাৰে কৰায়ত্ত কৰিব পৰা যায়। গ্ৰাম্য অঞ্চলৰ সাধাৰণ ৰাইজক সজাগ কৰিবলৈ পঞ্চায়ত পৰ্যায়ত নিয়মীয়াকৈ সজাগতা সভাৰ আয়োজন কৰাটো প্ৰয়োজন। একেদৰে স্কুল আৰু কলেজ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক চাইবাৰ সুৰক্ষা আৰু নৈতিকতাৰ শিক্ষা প্ৰদান কৰা উচিত। কিয়নো নতুন প্ৰজন্মই ইণ্টাৰনেট আটাইতকৈ বেছি ব্যৱহাৰ কৰে, আনহাতে তেওঁলোক সজাগ হ'লে সমগ্ৰ পৰিয়ালটোও সুৰক্ষিত হ'ব পাৰিব। বাতৰি কাকত, দূৰদৰ্শন আৰু ৰেডিঅ'ৰ দৰে গণমাধ্যমসমূহে ধাৰাবাহিকভাৱে চাইবাৰ অপৰাধৰ নতুন নতুন কৌশল আৰু তাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায়সমূহ সৰল ভাষাত প্ৰচাৰ কৰিব লাগে। বেংকসমূহেও তেওঁলোকৰ গ্ৰাহক সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে প্ৰতিটো লেনদেনৰ সময়ত গ্ৰাহকক সজাগতামূলক বাৰ্তা প্ৰেৰণ কৰাটো বাধ্যতামূলক কৰা উচিত।

বহু ক্ষেত্ৰত দেখা যায় যে, চাইবাৰ প্ৰতাৰণাৰ বলি হোৱাৰ পিছত মানুহে সমাজৰ ভয়ত, লাজত বা আৰক্ষীৰ জঞ্জালৰ পৰা আঁতৰি থাকিবলৈ গোটেই কথাটো লুকুৱাই ৰাখে। বিশেষকৈ মহিলা আৰু ছাত্ৰ-ছাত্ৰীসকলে ব্লেকমেইলিঙৰ চিকাৰ হ'লে মানসিকভাৱে সম্পূৰ্ণ ভাঙি পৰে আৰু কোনো আইনী সহায় নোলোৱাকৈয়ে চৰম সিদ্ধান্ত গ্ৰহণ কৰে। এইটো আটাইতকৈ ডাঙৰ ভুল, কিয়নো অপৰাধ লুকুৱাই ৰাখিলে অপৰাধীৰ সাহস অধিক বৃদ্ধি পায়। যদি কোনো ব্যক্তি চাইবাৰ অপৰাধৰ চিকাৰ হয়, তেন্তে লগে লগে বিত্তীয় প্ৰতাৰণাৰ বাবে কেন্দ্ৰীয় হেল্পলাইন নম্বৰ ১৯৩০ ত ফোন কৰি অভিযোগ পঞ্জীয়ন কৰিব লাগে। ঘটনা সংঘটিত হোৱাৰ ১ৰ পৰা ২ ঘণ্টাৰ ভিতৰত যদি এই নম্বৰত যোগাযোগ কৰিব পৰা যায়, তেতিয়া আৰক্ষী আৰু বেংকে মিলি অপৰাধীৰ একাউণ্টটো বন্ধ কৰি দিব পাৰে আৰু হেৰুওৱা ধন ঘূৰাই পোৱাৰ সম্ভাৱনা বহুখিনি বৃদ্ধি পায়। ইয়াৰ উপৰি ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় চাইবাৰ অপৰাধ ৰিপ'ৰ্টিং প'ৰ্টেলৰ ৱেবছাইটলৈ গৈ অনলাইনযোগেও অভিযোগ দাখিল কৰিব পাৰি। মহিলা আৰু শিশুৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত ইয়াত নাম-ঠিকনা সম্পূৰ্ণ গোপন ৰাখিও অভিযোগ কৰাৰ বিশেষ সুবিধা আছে। অভিযোগ দাখিল কৰাৰ সময়ত অপৰাধীৰ সৈতে হোৱা বাৰ্তালাপৰ স্ক্ৰীণশ্বট, ফোন নম্বৰ আৰু বেংক লেনদেনৰ ৰচিদ আদি প্ৰমাণ হিচাপে জমা দিব লাগে। এই প্ৰমাণসমূহ কেতিয়াও ম'বাইলৰ পৰা মচি পেলাব নালাগে।

পৰিশেষত ক'ব পাৰি যে, প্ৰযুক্তিৰ দ্ৰুত ধাৱমান গতিৰ সৈতে খোজ মিলাই আগবাঢ়ি যোৱাটো বৰ্তমান সময়ৰ আহ্বান। এই বিশাল ডিজিটেল মহাসাগৰত সাঁতুৰিবলৈ হ'লে আমাৰ হাতত সুৰক্ষাৰ কৱচ থকাটো অতি প্ৰয়োজন। চাইবাৰ জগতখনত সুৰক্ষিত হৈ থকাৰ আটাইতকৈ ডাঙৰ আৰু সৰ্বোত্তম উপায়টোৱেই হৈছে সজাগতা। আমাৰ অলপ সাৱধানতা, অলপ পৰ্যবেক্ষণ আৰু অলপ ধৈৰ্যই আমাক একো একোটা ডাঙৰ অৰ্থনৈতিক আৰু মানসিক বিপৰ্যয়ৰ পৰা ৰক্ষা কৰিব পাৰে। ইণ্টাৰনেট ব্যৱহাৰ কৰাৰ সময়ত সদায় নিজৰ বিবেক আৰু বুদ্ধিক প্ৰয়োগ কৰা উচিত। এক কথাত এখন সুস্থ, নিৰাপদ আৰু অপৰাধমুক্ত ডিজিটেল সমাজ গঢ়ি তোলাৰ স্বাৰ্থত প্ৰতিজন নাগৰিকৰ সজাগতাই সবাতোকৈ মূল বিষয় হোৱা উচিত। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## ৰাজ্যত ভেজাল ঔষধৰ

ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান চলাই থকা হৈছে যদিও ইয়াৰ মাজতেই চৰকাৰী অনুজ্ঞাপত্ৰ অবিহনে ভিতৰুৱা অঞ্চলত চলি আছে ঔষধৰ কাৰখানা। কামৰূপ জিলাৰ ড্ৰাগছ পৰিদৰ্শকৰ লগতে আৰক্ষীৰ এটা বৃহৎ দলে ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলীৰ ৩ নম্বৰ দক্ষিণ ৰাঙাপানী গাঁৱত যোৱা সোমবাৰে অভিযান চলাই চৰকাৰী অনুজ্ঞাপত্ৰ অবিহনে চলাই থকা এটা ঔষধৰ কাৰখানা ছীল কৰাৰ লগতে দুজন ব্যক্তিক আটক কৰে। দক্ষিণ ৰাঙাপানীত গুডাম সদৃশ এটা ঘৰত গোপনে চলাই থকা হৈছিল এই ঔষধৰ কাৰখানাটো। ইয়াত প্ৰস্তুত কৰা ঔষধ ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰি আহিছিল এটা চক্ৰই। এই খবৰ লাভ কৰি যোৱা সোমবাৰে আৰক্ষীৰ এটা বৃহৎ দলসহ ড্ৰাগছ পৰিদৰ্শকে অভিযান চলাই জাহিদুল হক তালুকদাৰ নামৰ লোকজনে চলাই থকা ঔষধৰ কাৰখানাটো ছীল কৰাৰ লগতে তেওঁক গ্ৰেপ্তাৰ কৰে। অভিযানকাৰী দলটোৱে কাৰখানাটোৰ পৰা বহু পৰিমাণৰ কেঁচা সামগ্ৰী, মেচিন, কেইবালাখ টকাৰ ঔষধো জব্দ কৰে। অভিযোগ অনুসৰি এই ঔষধ কোম্পানীটোৰ পৰাই জাহিদুল হক তালুকদাৰে কম সময়ৰ ভিতৰতে বৃহৎ পৰিমাণৰ সম্পত্তি আহৰণ কৰিবলৈ সক্ষম হৈছে। কামৰূপৰ ড্ৰাগছ পৰিদৰ্শক আৰু আৰক্ষী প্ৰশাসনক ৰাইজে এনে অভিযানৰ বাবে প্ৰশংসা কৰিছে। উল্লেখ্য যে ৰাজ্যৰ ভিন্ন প্ৰান্তত এনেদৰে ভেজাল ঔষধৰ বেহা চলাই থকাৰ অভিযোগ আছে। স্বাস্থ্য বিভাগে ৰাজ্যখনত চলি থকা ভেজাল ঔষধৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰাটো ৰাইজে বিচাৰিছে।

## তেজপুৰৰ লিচু বাগান পৰিদৰ্শন

কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে লিচু, নাৰিকল, তামোল আদিৰ দৰে লাভজনক নগদ শস্যৰ উৎপাদন বৃদ্ধিৰ ওপৰত তেওঁ বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে অহা বছৰৰ পৰা প্ৰতিটো সমষ্টিত এনেধৰণৰ ১ লাখকৈ পুলি বিতৰণৰ লক্ষ্য স্থিৰ কৰিছে কৃষি বিভাগে। মন্ত্ৰীগৰাকীয়ে লগতে আহ্বান জনাই কয় যে অসমৰ যুৱপ্ৰজন্মই এনেধৰণৰ লাভজনক খেতিৰ সৈতে জড়িত হোৱা উচিত। ম'বাইল টাৱাৰৰ বিকিৰণ আদিৰ দৰে অপ্ৰমাণিত কাৰণসমূহৰ অছিলা লৈ নাৰিকল, তামোল আদি ৰোপণৰ পৰা বিৰত থকাৰ পৰিৱৰ্তে নিজৰ ভূমিসমূহ সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ তেওঁ যুৱপ্ৰজন্মক আহ্বান জনায়। উক্ত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কৃষকসকলৰ মাজত স্প্ৰেয়িং মেচিন আৰু অন্যান্য কৃষি সঁজুলিও বিতৰণ কৰে। উক্ত কাৰ্যসূচীত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, কৃষি বিভাগৰ সচিব তথা সঞ্চালক উদয় প্ৰবীণ, শোণিতপুৰৰ জিলা উপায়ুক্ত, উদ্যান কৃষি বিভাগৰ সঞ্চালক আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

## ৰাজ্যৰ স্বাস্থ্য আন্তঃগাঁথনি

মহাবিদ্যালয় আৰু চিকিৎসালয় চৌহদ পৰিদৰ্শন কৰি নিৰ্মাণ হ'বলগীয়া অত্যাধুনিক ৩,০০০খন বিছনাযুক্ত চিকিৎসালয় ভৱনৰ প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে। উল্লেখ্য যে এই বৃহৎ প্ৰকল্পই ৰাজ্যৰ স্বাস্থ্যসেৱা, চিকিৎসা শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব। পৰিদৰ্শনৰ সময়ত চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত বৈশ্য তথা অন্যান্য জ্যেষ্ঠ বিষয়াসকলে প্ৰকল্পটোৰ পৰিকল্পনা আৰু ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে মুখ্য মন্ত্ৰীক অৱগত কৰে। ইয়াৰ পিছতে মুখ্য মন্ত্ৰীয়ে প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰি নিৰ্মীয়মাণ ৫০০ খন বিছনাযুক্ত অত্যাধুনিক চিকিৎসালয় ভৱনৰ অগ্ৰগতিৰ বুজ লয় আৰু চিকিৎসালয় কৰ্তৃপক্ষ, স্বাস্থ্য বিভাগ আৰু নিৰ্মাণকাৰী সংস্থাৰ সৈতে এক বিস্তৃত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত নিৰ্মাণৰ অগ্ৰগতি, নিৰ্মিত ভৱনসমূহ সময়মতে হস্তান্তৰকৰণ, সীমাৰ দেৱাল, ফেকাল্টিৰ আবাস তথা খেলপথাৰ নিৰ্মাণ আৰু অন্যান্য প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়নৰ বিষয়সমূহ বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। মুখ্য মন্ত্ৰীয়ে সংশ্লিষ্ট সকলো পক্ষক গুণগত মান, স্বচ্ছতা, জবাবদিহিতা আৰু নিৰ্ধাৰিত সময়সীমা কঠোৰভাৱে মানি নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক সহজলভ্য, সুলভ আৰু বিশ্বমানৰ চিকিৎসা সেৱা নিশ্চিত কৰিব পৰা এক শক্তিশালী স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ চৌধুৰী, প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ বসন্ত বৈশ্য প্ৰমুখ্যে অন্যান্য জ্যেষ্ঠ চিকিৎসক তথা চিকিৎসা বিষয়াসকলে অংশগ্ৰহণ কৰে। ইয়াৰ আগেয়ে দিছপুৰস্থিত লোকসেৱা ভৱনত সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে মুখ্যমন্ত্ৰীয়ে জনকল্যাণ, সামগ্ৰিক উন্নয়ন আৰু আত্মনিৰ্ভৰশীল অসমৰ লক্ষ্য বাস্তৱায়নৰ বিভিন্ন দিশ সম্পৰ্কত ইতিবাচক মত বিনিময়ত অংশগ্ৰহণ কৰে। ৰাজ্যৰ উন্নয়নৰ যাত্ৰাত চৰকাৰ আৰু সমাজৰ সমন্বিত অংশীদাৰিত্বৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে।

# ডিজিটেল ইণ্ডিয়াৰ ১১ বছৰ সম্পূৰ্ণ

ভাৰতক 'ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ'ৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী দেশ হিচাপে প্ৰতিষ্ঠা কৰিছে। এক বিবৃতিত এই কথা উল্লেখ কৰি ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° জাফ্ৰিন মেহজাবিনে কয় যে ২০১৫ চনৰ পূৰ্বে চৰকাৰী সেৱা লাভ কৰাৰ ক্ষেত্ৰত জটিল প্ৰশাসনিক প্ৰক্ৰিয়া, দীঘলীয়া অপেক্ষা, কাগজভিত্তিক ব্যৱস্থা আৰু সীমিত ডিজিটেল সংযোগেই আছিল বাস্তৱতা। বিগত ১১ বছৰত এই সমগ্ৰ শাসনৰ ধাৰণাই মৌলিকভাৱে ৰূপান্তৰ লাভ কৰিছে। আজিৰ ভাৰতত শাসন ব্যৱস্থা কাগজ-নিৰ্ভৰ আমোলাতান্ত্ৰিক ব্যৱস্থাৰ পৰা এক সমন্বিত, প্ৰযুক্তি-সমৰ্থিত আৰু নাগৰিক-কেন্দ্ৰিক ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে, য'ত চৰকাৰী সেৱা অধিক দ্ৰুত, স্বচ্ছ, সুনিয়ন্ত্ৰিত আৰু ফলপ্ৰসূভাৱে প্ৰদান কৰা হৈছে। ডিজিটেল ইণ্ডিয়াই প্ৰযুক্তিক প্ৰতিজন নাগৰিকৰ অধিকাৰ আৰু ক্ষমতায়নৰ শক্তিশালী মাধ্যমত পৰিণত কৰিছে। তেওঁ কয় যে জেম ট্ৰিনিটি প্ৰধানমন্ত্ৰী জন-ধন যোজনা, আধাৰ আৰু ম'বাইল সংযোগ-এতিয়া ভাৰতৰ ডিজিটেল শাসন ব্যৱস্থাৰ মূল ভেটি আৰু বিশ্বৰ সৰ্ববৃহৎ আৰ্থিক অন্তৰ্ভুক্তিৰ পৰিকাঠামোত পৰিণত হৈছে। দেশত বৰ্তমান ৫৭.৭৮ কোটি জন ধন বেংক একাউণ্ট, ১৪৪ কোটিতকৈ অধিক আধাৰ আৰু ১০৯ কোটিতকৈ অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰীয়ে এক অভূতপূৰ্ব ডিজিটেল পৰিচয় আৰু আৰ্থিক পৰিকাঠামো গঢ়ি তুলিছে। এই ব্যৱস্থাৰ জৰিয়তে ডাইৰেক্ট বেনিফিট ট্ৰেন্সফাৰৰ অধীনত ৫১ লাখ কোটিতকৈ অধিক টকা ১৭৬ কোটি লেনদেনৰ জৰিয়তে পোনপটীয়াকৈ হিতাধিকাৰীৰ একাউণ্টত জমা দিয়া হৈছে। ইয়াৰ ফলত মধ্যভোগী, দুৰ্নীতি আৰু অপচয় উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে আৰু ৰাজকোষীয় স্বচ্ছতা অধিক শক্তিশালী হৈছে।

ড° মেহজাবিনে কয় যে ডিজিটেল ইণ্ডিয়াৰ অন্যতম সৰ্বাধিক সফল দিশ হৈছে ভাৰতৰ ডিজিটেল লেনদেনৰ বিপ্লৱ। ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচে ২০১৬-১৭ বৰ্ষত মাত্ৰ ২ কোটি লেনদেনৰ পৰা বৃদ্ধি পাই ২০২৫-২৬ বৰ্ষত ২৪,১৬২ কোটিতকৈ অধিক লেনদেন সম্পন্ন কৰিছে। বিশ্বৰ মুঠ ৰিয়েল-টাইম ডিজিটেল লেনদেনৰ প্ৰায় ৪৯ শতাংশ লেনদেন ভাৰতত হয়। একাধিক দেশত ইউপিআইৰ বিস্তাৰে ভাৰতক কেৱল ডিজিটেল অৰ্থনীতিৰ অংশীদাৰ নহয়, বৰং বিশ্বৰ নতুন প্ৰজন্মৰ ফিনটেক ব্যৱস্থাৰ অন্যতম স্থপতি হিচাপে প্ৰতিষ্ঠা কৰিছে। তেওঁ উল্লেখ কৰে যে ডিজিটেল ইণ্ডিয়াই ভাৰতৰ ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰতো এক নৱযুগৰ সূচনা কৰিছে। ভাৰতনেট আঁচনিৰ জৰিয়তে দেশৰ প্ৰায় ২.১৫ লাখ গ্ৰাম পঞ্চায়ত, অৰ্থাৎ ৯৭ শতাংশ, প্ৰায় ৭ লাখ কিলোমিটাৰ অপ্টিকেল ফাইবাৰ কেবলৰ জৰিয়তে সংযুক্ত হৈছে। বৰ্তমান ভাৰতত ১০৬.৫৮ কোটি ব্ৰডবেণ্ড গ্ৰাহক আছে। ইয়াৰ উপৰি ৬.৫ লাখতকৈ অধিক কমন চাৰ্ভিছ চেণ্টাৰ আৰু ১.৬ লাখ ডিজিটেলভাৱে সক্ষম ডাকঘৰে গ্ৰামাঞ্চল আৰু দুৰ্গম অঞ্চলত বেংকিং, স্বাস্থ্য, শিক্ষা, আৰ্থিক অন্তৰ্ভুক্তি আৰু চৰকাৰী সেৱা সফলভাৱে প্ৰদান কৰি ডিজিটেল ভাৰতৰ ভিত্তি অধিক শক্তিশালী কৰিছে।

ডিজিটেল ইণ্ডিয়াই ভাৰতক ইলেক্ট্ৰনিক্স উৎপাদনৰ ক্ষেত্ৰতো বিশ্বৰ অন্যতম শক্তিশালী উৎপাদন কেন্দ্ৰত পৰিণত কৰিছে। ২০১৪-১৫ বৰ্ষৰ ১.৯ লাখ কোটি টকাৰ ইলেক্ট্ৰনিক্স উৎপাদন বৃদ্ধি পাই ২০২৬ চনৰ মাৰ্চলৈ প্ৰায় ১২ লাখ কোটি টকা হৈছে। ভাৰত এতিয়া বিশ্বৰ দ্বিতীয় বৃহত্তম ম'বাইল ফোন উৎপাদনকাৰী দেশ। মেক ইন ইণ্ডিয়া আৰু প্ৰডাকচন লিংকড ইনচেণ্টিভ আঁচনিৰ সফল ৰূপায়ণেই এই অভূতপূৰ্ব অগ্ৰগতিৰ মূল চালিকাশক্তি। ডিজিটেল ইণ্ডিয়াই এক সমন্বিত ডিজিটেল শাসন ব্যৱস্থা গঢ়ি তুলিছে, য'ত ডিজিলকাৰত ৭০.৬৯ কোটিতকৈ অধিক নিবন্ধিত ব্যৱহাৰকাৰী আৰু ৮৫০ কোটিতকৈ অধিক ডিজিটেল নথি-পত্ৰ সুৰক্ষিতভাৱে সংৰক্ষিত হৈছে। উমং, জিএছটিএন, ই-ক'ৰ্টছ, ই-হস্পিটেল, ই-সঞ্জীৱনী, ত্বৰিত গতি শক্তি, জিইএম, অএনডিচি আৰু 'মাই গভ'ৰ দৰে প্লেটফৰ্মসমূহে শাসন ব্যৱস্থাক অধিক স্বচ্ছ, সমন্বিত আৰু জনমুখী কৰি তুলিছে। ডিজিটেল ইণ্ডিয়াই ভাৰতৰ জনস্বাস্থ্য ব্যৱস্থাকো আমূল ৰূপান্তৰিত কৰিছে। ই-সঞ্জীৱনী টেলিমেডিচিন প্লেটফৰ্মে ৪৮ কোটিতকৈ অধিক চিকিৎসা পৰামৰ্শ আগবঢ়াই গ্ৰামাঞ্চললৈ বিশেষজ্ঞ চিকিৎসা সেৱা কঢ়িয়াই লৈ গৈছে। আনহাতে, বিশ্বজুৰি প্ৰশংসিত ক'উইন প্লেটফৰ্মে **২২০** কোটিতকৈ অধিক ক'ভিড-১৯ টীকাকৰণ সফলভাৱে পৰিচালনা কৰি ভাৰতৰ ডিজিটেল সক্ষমতাৰ এক বিশ্বমানৰ উদাহৰণ দাঙি ধৰিছে। যুৱ শক্তিক ৰাষ্ট্ৰ গঠনৰ মূল চালিকাশক্তি হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে 'মাই ভাৰত' প্লেটফৰ্মে ইতিমধ্যে ২.২১ কোটিতকৈ অধিক যুৱক-যুৱতীক সংযুক্ত কৰিছে। ১.৫২ লাখতকৈ অধিক স্বেচ্ছাসেৱী সুযোগ, ২৮ হাজাৰতকৈ অধিক অভিজ্ঞতাভিত্তিক শিক্ষণ কাৰ্যসূচী আৰু ১.১৯ লাখতকৈ অধিক প্ৰতিষ্ঠানৰ সৈতে সংযোগ স্থাপন কৰি ই দেশৰ সৰ্ববৃহৎ যুৱ ডিজিটেল পৰিকাঠামো হিচাপে আত্মপ্ৰকাশ কৰিছে। ডিজিটেল ইণ্ডিয়াই কৃষি, শিক্ষা আৰু মানৱ সম্পদ বিকাশতো এক নতুন অধ্যায় সূচনা কৰিছে। এগ্ৰীষ্টেকৰ অধীনত ৯.২ কোটিতকৈ অধিক কৃষক আইডি সৃষ্টি কৰা হৈছে। ডিকচা, স্বয়ম, পিএম ই-বিদ্যা, স্বয়ম প্ৰভা, আপাৰ, পিএমজিডিচা, স্কিল ইণ্ডিয়া ডিজিটেল হাব, ফিউচাৰ স্কিল প্ৰাইম, আৰু ইণ্ডিয়া এআই মিছনে কৃত্ৰিম বুদ্ধিমত্তা, ক্লাউড কম্পিউটিং, চাইবাৰ সুৰক্ষা আৰু উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত দক্ষ মানৱ সম্পদ গঢ়ি তুলিছে। ডিজিটেল ইণ্ডিয়াৰ প্ৰভাৱ কেৱল শাসন ব্যৱস্থাত সীমাবদ্ধ নহয়। ই ভাৰতৰ অৰ্থনৈতিক ৰূপান্তৰৰ অন্যতম শক্তিশালী ভেটি। বৰ্তমান ভাৰতৰ ডিজিটেল অৰ্থনীতি দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ (জিডিপি) প্ৰায় ১২-১৪ শতাংশ অৱদান আগবঢ়াইছে আৰু আগন্তুক দশকত এই অৱদান ২০ শতাংশলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ২০২৪-২৫ বৰ্ষত ভাৰতৰ আইটি আৰু আইটিইএছ খণ্ডই ২৮৩ বিলিয়ন আমেৰিকান ডলাৰ আয় কৰাৰ লগতে ২,১০০ তকৈ অধিক গ্ল'বেল কেপেবিলিটি চেণ্টাৰে প্ৰায় ২৬ লাখ উচ্চ দক্ষতাসম্পন্ন পেছাজীৱীক নিয়োজিত কৰিছে। ভাৰতৰ ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ বিশ্বব্যাপী এক আদৰ্শ হিচাপে স্বীকৃত। জি-২০ৰ সভাপতিত্বকালত India Stack Global আৰু Global DPI Repository মুকলি কৰাৰ লগতে ২৪ খন দেশৰ সৈতে ডিজিটেল সহযোগিতা চুক্তি সম্পন্ন কৰি ভাৰত ডিজিটেল কূটনীতিৰ ক্ষেত্ৰতো এক বিশ্বস্ত অংশীদাৰত পৰিণত হৈছে। ডিজিটেল ইণ্ডিয়াৰ প্ৰকৃত তাৎপৰ্য কেৱল প্ৰযুক্তিগত উৎকৰ্ষত সীমাবদ্ধ নহয়; ই সম সুযোগৰ গণতান্ত্ৰিকীকৰণ, প্ৰতিষ্ঠানগত স্বচ্ছতা আৰু নাগৰিকক উন্নয়নৰ কেন্দ্ৰবিন্দুত প্ৰতিষ্ঠা কৰাৰ এক শক্তিশালী ৰাষ্ট্ৰীয় ব্যৱস্থা। বিগত ১১ বছৰত ভাৰত কেৱল শাসন ব্যৱস্থাক ডিজিটেল ৰূপ দিয়া নাই, বৰং উদ্ভাৱন, আন্তঃসংযোগ, অন্তৰ্ভুক্তিমূলক উন্নয়ন আৰু প্ৰতিষ্ঠানগত স্থিতিস্থাপকতাৰ ওপৰত ভিত্তি কৰি এক নতুন উন্নয়ন মডেল গঢ়ি তুলিছে। তেওঁ লগতে কয় যে ডিজিটেল শাসনৰ ভৱিষ্যতক লৈ যি সময়ত বিশ্বৰ বহু দেশ এতিয়াও আলোচনা কৰি আছে, সেই সময়ত ভাৰতে আধাৰ, ইউপিআই, জিইএম, অএনডিচি, পিএম গতি শক্তি আৰু 'মাই ভাৰত'ৰ দৰে বিশ্বমানৰ ডিজিটেল প্লেটফৰ্মৰ ইতিমধ্যে ডিজিটেল শাসনৰ অন্যতম স্থপতি হিচাপে আত্মপ্ৰকাশ কৰিছে। দূৰদৰ্শী নেতৃত্ব আৰু জনকল্যাণমুখী নীতিৰে প্ৰযুক্তিয়ে কেনেদৰে সামাজিক ন্যায়, অৰ্থনৈতিক উৎপাদনশীলতা আৰু ৰাষ্ট্ৰীয় পুনৰুত্থানৰ শক্তিশালী মাধ্যম হ'ব পাৰে, ভাৰতে বিশ্বক সেই পথ দেখুৱাইছে। ড° মেহজাবিনে শেষত উল্লেখ কৰে যে, অসমতো ডিজিটেল ইণ্ডিয়াৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগী বাস্তৱ ৰূপ লাভ কৰিছে। ডিজিটেল শাসন ব্যৱস্থা অসমৰ প্ৰশাসনিক সংস্কাৰ, স্বচ্ছ জনসেৱা আৰু উন্নয়নমূলক কাৰ্যসূচীৰ অন্যতম ভিত্তিত পৰিণত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে ডিজিটেল আন্তঃগাঁথনি, ই-গভৰ্ণেন্স, ডিজিটেল সেৱা, উদ্যোগ, কৃষি, শিক্ষা, স্বাস্থ্য, কৃত্ৰিম বুদ্ধিমত্তা, ইলেক্ট্ৰনিক্স উৎপাদন আৰু উদ্ভাৱনৰ ক্ষেত্ৰত দ্ৰুত অগ্ৰগতি লাভ কৰিছে। অৰুণোদয়, প্ৰায় ২৯ লাখ কৃষক পিএম কিষাণ, ৪০ লাখ মহিলাক উদ্যমিতা আঁচনি, আগন্তুক সময়ত ডিজিটেল ইণ্ডিয়া আৰু ৰাজ্য চৰকাৰৰ উন্নয়নমূলক দৃষ্টিভংগীৰ সমন্বয়ে অসমক এখন জ্ঞানভিত্তিক, উদ্ভাৱনমুখী আৰু বিনিয়োগ-আকৰ্ষণকাৰী অৰ্থনীতিত ৰূপান্তৰিত কৰাৰ লগতে 'বিকশিত ভাৰত-২০৪৭'ৰ সপোন বাস্তৱায়িত কৰাত অসমৰ ভূমিকাক অধিক শক্তিশালী কৰি তুলিব।

### মঙলদৈ সনাতন ধৰ্মসভাৰ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানত মন্ত্ৰী নীলিমা দেৱী

# বিধায়ক-মন্ত্ৰী হ'ম বুলি ভাবি কোনো কাম কৰা নাছিলো

**অসম ভূমি সেৱা, মঙলদৈ ঃ** মঙলদৈ সনাতন ধৰ্মসভাৰ উদ্যোগত যোৱা দেওবাৰে পুৱা ১০ বজাত এখন 'অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান' অনুষ্ঠিত হয়। মঙলদৈ সনাতন ধৰ্মসভাৰ সভাপতি পঞ্চানন শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মঙলদৈ সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীক পাটৰ গামোচা, পিতলৰ জাপি, শৰাই, স্মাৰক আৰু মানপত্ৰৰে ধৰ্মসভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। মঙলদৈ সনাতন ধৰ্মসভাৰ সাধাৰণ সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকাই পৰিচালনা কৰা এই অনুষ্ঠানত ধৰ্মসভাৰ উপৰি দৰং জিলা কৰ্মচাৰী পৰিষদ, মঙলদৈ বণিক সন্থা, দৰং জিলা মহিলা সমিতি, ৰেডক্ৰছৰ দৰং জিলা শাখা, মঙলদৈ য়ুথ ক্লাব, জুবিন গাৰ্গ স্মৃতি ৰক্ষা সমিতি আদিয়ে দীৰ্ঘদিনৰ দৰং জিলাৰ পৰা মন্ত্ৰিত্ব লাভ কৰা মহিলা নেত্ৰী নীলিমা দেৱীক মানপত্ৰ, ফুলাম গামোচা, স্মাৰক আদিৰে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। মঙলদৈয়া ৰাইজৰ উষ্ণ সম্বৰ্ধনা গ্ৰহণ কৰি নৱনিৰ্বাচিত মন্ত্ৰী নীলিমা দেৱীয়ে কয় যে মই কিবা পাম বুলি ভাবি দলীয় কাম কৰা নাছিলো। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা সময়তে চাফাই মন্ত্ৰীৰ দায়িত্ব লৈ সামাজিক কাম-কাজত জড়িত হৈছিলো। পিছলৈ ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰি দলৰ হকে কাম কৰি গৈছিলো। আপোনালোকৰ আশীৰ্বাদত মঙলদৈৰ বিধায়ক হ'লো আৰু আশা নকৰাকৈয়ে মন্ত্ৰীও হ'লো। মন্ত্ৰী হ'লেও মই আপোনালোকৰ বিধায়ক। সেয়ে সমষ্টিটোৰ উন্নয়নত সদায়ে অগ্ৰাধিকাৰ দি যাম। এই অনুষ্ঠানত মঙলদৈ পৌৰসভাৰ পৌৰনেত্ৰী নিৰ্মালি দেৱী শৰ্মা, মঙলদৈ বণিক সন্থাৰ কাৰ্যকৰী সভাপতি অমৰজিৎ শাণ্ডিল্য, উপ-সভাপতি কিৰীটি



বৰা, মুখ্য সম্পাদক আনন্দ কুমাৰ সাহা, ৰেডক্ৰছৰ দৰং জিলা শাখাৰ অধ্যক্ষ, কোষাধ্যক্ষ জয়ন্ত শৰ্মা, দৰং জিলা মহিলা সমিতিৰ সভানেত্ৰী বিনু নাৰায়ণ দেৱ, কাৰ্যকৰী সভাপতি বিমলা বৰা আৰু উপ-সভাপতি ৰঞ্জুৰাণী ভূএগ, দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, উপ-সভাপতি প্ৰণৱ কুমাৰ ডেকা আৰু মদন চন্দ্ৰ বৰুৱা আৰু সাধাৰণ সম্পাদক কুলেন চন্দ্ৰ ডেকা, মঙলদৈ য়ুথ ক্লাবৰ সভাপতি গিৰীশ ডেকা আৰু সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, দৰং জিলা নাগাৰা নাম সংঘৰ সম্পাদক মুকুট চন্দ্ৰ হাজৰিকা, মঙলদৈ সনাতন ধৰ্মসভাৰ উপ-সভাপতিদ্বয় উপেন্দ্ৰ চহৰীয়া আৰু শুক্লেশ্বৰ নাথ, জ্যেষ্ঠ সাংবাদিক গণেশ দত্ত, অসম বাৰ্তাজীৱী সংঘৰ উপদেষ্টা মুকুটৰাজ শৰ্মা, ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি বাসৱ চন্দ্ৰ ডেকা আদি অনুষ্ঠানত উপস্থিত থাকে।



## বজালীৰ উলুৱাত বিধানসভাৰ অধ্যক্ষক সম্বৰ্ধনা

**অসম ভূমি সেৱা, বজালী ঃ** বজালী জিলাৰ চমুৱা উলুৱা গাঁৱৰ ঐতিহ্যমণ্ডিত ভোগেশ্বৰ মন্দিৰ প্ৰাংগণত যোৱা সোমবাৰে অসম বিধানসভাৰ অধ্যক্ষ তথা পাটাছাৰকুছি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰঞ্জিত কুমাৰ দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উলুৱা অঞ্চলত বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ছোৱাত দাসে গ্ৰহণ কৰা বহুকেইটা উন্নয়নমূলক পদক্ষেপৰ স্বীকৃতিস্বৰূপে গএগ ৰাইজে এই সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। কৰুণা বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত এই সম্বৰ্ধনা সভাত সম্বৰ্ধনা গ্ৰহণ কৰি নিজৰ ভাষণত অসম বিধানসভাৰ অধ্যক্ষ দাসে কয়, 'মই বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ত উলুৱা গাঁৱত প্ৰায় ৬.১৩ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম হৈছিলো। সেই কামসমূহৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে গএগ ৰাইজে মোক সম্বৰ্ধনা জনোৱাটো মোৰ বাবে এক গৌৰৱৰ বিষয়।' শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, বিজেপিৰ বজালী জিলা সভাপতি মুকুট কলিতা, বজালী মণ্ডলৰ সভাপতি পৰাগ তালুকদাৰ, ভোগেশ্বৰ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি দীপক শৰ্মা আৰু সম্পাদক উৎপল বৰ্মনকে ধৰি বহু বিশিষ্ট ব্যক্তি সভাত উপস্থিত থাকে।

### কাহিলীপাৰাত উত্তৰা উন্নয়ন মঞ্চৰ উদ্যোগ

# ১৮ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**গুৱাহাটী ঃ** উত্তৰা উন্নয়ন মঞ্চৰ উদ্যোগত যোৱা দেওবাৰে কাহিলীপাৰা উত্তৰায়ণ ভিলেৰ ১৮ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। বন্তি প্ৰজ্বলনৰ পাছতে সমবেত গীতেৰে আৰম্ভ কৰা এই অনুষ্ঠানত এইবাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ গামোচা, মানপত্ৰ, স্মাৰক আৰু উপহাৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়, অসমৰ পৰীক্ষা নিয়ন্ত্ৰক কিশোৰ কুমাৰ চৌধুৰী, বিশিষ্ট অভিনেত্ৰী মঞ্জুলা বৰুৱা উপস্থিত থাকে। উত্তৰা উন্নয়ন মঞ্চৰ সভানেত্ৰী ৰীণা দেৱৰ সভাপতিত্বত অনুষ্ঠিত এই সভাৰ আদৰণী ভাষণ প্ৰদান কৰে মঞ্চৰ সাধাৰণ সম্পাদিকা মৌচুমী ভট্টাচাৰ্যই। উত্তৰায়ণ ভিলেৰ সভাপতি ড° নকুল শৰ্মা, সম্পাদক সঞ্জীৱ কুমাৰ বৰুৱা প্ৰমুখ্যে ডেৰ শতাধিক লোক উপস্থিত থকা এই সভাত বিশিষ্ট অতিথিসকলে ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাই উত্তৰা উন্নয়ন মঞ্চৰ এই পদক্ষেপক প্ৰশংসা কৰাৰ লগতে বিদ্যাৰ্থীসকলক প্ৰকৃত মানুহ হৈ নিজৰ কৰ্তব্য পালন কৰি যাবলৈ পৰামৰ্শ প্ৰদান কৰে। সম্পাদিকা মৌচুমী ভট্টাচাৰ্যই আঁত ধৰা অনুষ্ঠানত উত্তৰা উন্নয়ন মঞ্চৰ সহকাৰী সম্পাদিকা ৰঞ্জুমালা দাসে শলাগৰ শৰাই আগবঢ়ায়।

## প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ কৰ্মশালাৰ আয়োজন

**গুৱাহাটী ঃ** গুৱাহাটীৰ বিদ্যালয়সমূহৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ উদ্যোগত অহা ২৮, ২৯ আৰু ৩০ জুলাইত কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ কৰ্মশালা বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত হ'ব। প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক দিগন্ত ভাৰতী, কণ্ঠশিল্পী চন্দন দাস আৰু ভাস্বতী ভাৰতী। ইচ্ছুক অংশগ্ৰহণকাৰীসকলক ৯৮৬৪০৬০২৫৭,৯১০১৪৭৯২৭২, ৯৮৬৪১৭২৩৫৭ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

### বজালী জিলা ইতিহাস সংকলন সমিতি গঠনৰ সভাত অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰী

# ভাৰতীয় ইতিহাস বিশ্বৰ অন্যতম প্ৰাচীন আৰু চহকী ইতিহাস

**অসম ভূমি সেৱা, পাঠশালা ঃ** 'ভাৰতীয় ইতিহাস হৈছে বিশ্বৰ অন্যতম প্ৰাচীন আৰু চহকী ইতিহাস। কালক্ৰমত ব্ৰিটিছ শাসনৰ অৱসান ঘটাই ১৯৪৭ চনত স্বাধীন হোৱা আধুনিক ভাৰতে এক বিশাল গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে।' উক্ত মন্তব্য অখিল ভাৰতীয় ইতিহাস সংকলনৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি, প্ৰাক্তন অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰীৰ। যোৱা দেওবাৰে পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত বজালী জিলা সমিতি গঠন সন্দৰ্ভত আয়োজন কৰা এখন সভাত অংশগ্ৰহণ কৰি ড° অধিকাৰীয়ে কয় যে ভাৰতৰ গৌৰৱময় ইতিহাস তেতিয়াৰ এচাম ব্ৰিটিছ ইতিহাসবিদে বিকৃত ৰূপত উপস্থাপন কৰিছিল। এই বিকৃত ইতিহাস তথ্যসহকাৰে ৰাইজৰ মাজত পুনৰ উপস্থাপন কৰাটোৱেই অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিৰ মূল উদ্দেশ্য। বিশিষ্ট শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে বন্তি প্ৰজ্বলন আৰু ৰশ্মি দেৱীৰ সংস্কৃত শ্লোকেৰে আৰম্ভ হোৱা সভাত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ তথা কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মুকুন্দ শৰ্মাই। বজালী জিলা ইতিহাস সংকলন সমিতিৰ মুখ্য আহ্বায়ক তথা পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শিক্ষাবিদ প্ৰফুল্ল কুমাৰ গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত আদৰণী ভাষণ প্ৰদান কৰে অসম ইতিহাস সংকলন সমিতিৰ নলবাৰী বিভাগৰ সংযোজক ভাস্কৰ নাথে। ইতিহাস সংকলন সমিতিৰ অসম প্ৰান্তৰ সাংগঠনিক সচিব তথা অৱসৰপ্ৰাপ্ত শিক্ষক সোমনাথ তালুকদাৰে ইতিহাস সংকলন সমিতিৰ উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে অৱগত কৰে। সভাত ইতিহাস সংকলন সমিতিৰ ৰাজ্যিক সম্পাদক ড° তপন কলিতাই ভাৰতীয় ইতিহাসৰ বহুতো গৌৰৱময় অধ্যায় স্মৰণ কৰাৰ লগতে নৱগঠিত বজালী জিলা সমিতিখন ঘোষণা কৰে। সেই অনুসৰি বজালী জিলা সমিতিৰ বাবে প্ৰফুল্ল কুমাৰ গোস্বামীক সভাপতি, ড° গোপেশ শৰ্মাক কাৰ্যকৰী সভাপতি আৰু ড° তপন চি কলিতাক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। বজালীৰ বিভিন্ন প্ৰান্তৰ শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাত শলাগৰ শৰাই আগবঢ়ায় বজালী জিলা সমিতিৰ নৱনিৰ্বাচিত সম্পাদক ড° তপন চি কলিতাই।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah